Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

SATURDAY, MARCH 08, 2025 ■ শনিবাৰ, ২৪ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭১ Guwahati, Assam ।। মূল্যঃ এটকা

Sacn to Donate
NEWSNEXTONE.COM

**ৰাভা হাছং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন ঘোষণা**



বিতং বাতৰি পঞ্চম পৃষ্ঠাত



মহানগৰীত উচছেদ অভিযান, শুকুৰবাৰে

## গুৱাহাটীত ক্ৰাইম ব্ৰাঞ্চৰ জেৰা ৰণবীৰক

ই-সংবাদ, ৭ মাৰ্চঃ শাসকীয় বিজেপি দলৰ লগতে বিৰোধী কংগ্ৰেছ আৰু কেইবাজনো ২ পৃষ্ঠাত



গুৱাহাটীত ৰণবীৰ এলাহাবাদিয়া

# এপিএছচিৰ মান মেধা নাথাকিলে অসাৰ এডিআৰই!

ই-সংবাদ, ৭ মাৰ্চঃ অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত হোৱা লিখিত পৰীক্ষাৰ ফলাফল মাজনিশা ঘোষণা কৰাৰ পিছতে ৰাজ্যজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। তৃতীয় বৰ্গৰ ৭৬০০ আৰু চতুৰ্থ বৰ্গৰ ৫০০০ পদৰ বাবে অনুষ্ঠিত এই ৪ পৃষ্ঠাত চাওক

## বিধানসভাত জলসিঞ্চন সন্দৰ্ভত মন্ত্ৰীৰ ভুল তথ্য

ই-সংবাদ, ৭ মাৰ্চঃ সদনৰ মজিয়াত ভুল তথ্য দিয়াৰ অভিযোগ উত্থাপন হৈছে জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংঘালৰ বিৰুদ্ধে। বিধায়ক শেষাংশ ৬ পৃষ্ঠাত

## আফিং খেতিক লৈ আলফাৰ বিবৃতি

ই-সংবাদ, গুৱাহাটী, ৭ মাৰ্চঃ অসমৰ একাংশ বৈদ্যুতিন আৰু ছপা সংবাদ মাধ্যমত সংযুক্ত মুক্তি ৭ পৃষ্ঠাত চাওক

**অকাডেমীৰ বঁটা ঘোষণাৰ তালিকাত একাধিক ভুল তথ্য**

# ৰাজ্যৰ ৩ সাহিত্যিককৈ সাহিত্য অকাডেমীৰ অনুবাদ বঁটা

ই-সংবাদ, গুৱাহাটী-কোকৰাঝাৰ-বৰপেটাৰোড, ৭ মাৰ্চঃ ৰাজ্যৰ তিনিগৰাকী সাহিত্যিকে ৰাজ্যখনলৈ ভাল খবৰ কঢ়িয়াই আনিছে। আজি সাহিত্য অকাডেমিৰ সভাপতি মাধৱ কৌশিকৰ অধ্যক্ষতাত সাহিত্য অকাডেমিৰ কাৰ্যনিৰ্বাহক মণ্ডলীৰ বৈঠকত ২০২৪ৰ সাহিত্য ৭ পৃষ্ঠাত

■ অসমলৈ গৌৰৱ কঢ়িয়ালে অঞ্জন শৰ্মা, উত্তৰা বৈসুমুথিয়াৰী, বাসুদেৱ দাসে







## বক্ৰপথ লোৱা হেপ্পী গগৈ নিলম্বিত

ই-সংবাদ বিশেষ, মঙলদৈ, ৭ মাৰ্চঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যিমানেই নিকা আৰু স্বচ্ছ প্ৰশাসনৰ কথা কৈ থাকে সিমানেই চৰকাৰী বিষয়া- ৩ পৃষ্ঠাত চাওক

## পুৰণিগুদামত যুৱকৰ মৃত্যু ৰহস্য

ই-সংবাদ, পুৰণিগুদাম, ৭ মাৰ্চঃ সমগ্ৰ ৰাজ্য জোকাৰি যোৱা এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই নগাঁও জিলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগাঁও শেষাংশ ৩ পৃষ্ঠাত

## কাৰ্বি ভূমিত চকু হিমন্তৰ ২০ সহস্ৰাধিক জনজাতীয় লোকক উচ্ছেদৰ ষড়যন্ত্ৰ




ই-সংবাদ, ৭ মাৰ্চঃ অসমৰ জনজাতীয় লোকে ভোগ-দখল কৰি থকা ১৮ হাজাৰ বিঘা মাটি কাঢ়ি লৈ ১০০০ মেগাৱাটৰ বৃহৎ সৌৰশক্তি প্ৰকল্প ৫ পৃষ্ঠাত চাওক

## বিশেষাধিকাৰ ভংগৰ অভিযোগ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে

ই-সংবাদ, ৭ মাৰ্চঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিপ্লৱ শৰ্মা প্ৰতিবেদনত উল্লেখ নথকা কথা বিধানসভাত উত্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীজনৰ বিৰুদ্ধে সদনত বিশেষাধিকাৰ ভংগৰ অভিযোগ উত্থাপন কৰে বিৰোধী ৬ পৃষ্ঠাত চাওক

## অসমৰ মুখ্যমন্ত্ৰীলৈ ভৱানীপুৰ সত্ৰৰ বঁটা

ই-সংবাদ, ভৱানীপুৰ, ৭ মাৰ্চঃ ভৱানীপুৰ সত্ৰই প্ৰদান কৰি অহা 'ভৱানীপুৰীয়া গোপাল আতা বঁটা' এইবেলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত শেষাংশ ২ পৃষ্ঠাত

**নাৰী দিৱসত নাৰী শক্তি প্ৰদৰ্শনৰ বাবে ব্যতিক্ৰমী পদক্ষেপ**

# প্ৰধানমন্ত্ৰী মোদীৰ নিৰাপত্তাত এদল মহিলা

নতুন দিল্লী, ৭ মাৰ্চঃ আন্তৰ্জাতিক নাৰী দিৱসৰ বিশেষ দিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰাপত্তাত নিয়োজিত হ'ব এদল মহিলা আৰক্ষী বিষয়া। গুজৰাটৰ গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী হৰ্ষ সাংঘৱীয়ে সদৰী কৰিছে এই কথা। নাৰী দিৱস উপলক্ষে ৮ মাৰ্চত গুজৰাটৰ নৱছাৰীত উপস্থিত থাকিব ৩ পৃষ্ঠাত

**ভাৰতৰ ইতিহাসত প্ৰথম এই পদক্ষেপ বুলি দাবী**



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ মুখ্যমন্ত্ৰীলৈ ভৱানীপুৰ সত্ৰৰ বঁটা

বিশ্ব শৰ্মাক প্ৰদান কৰিব। আজি এই ঘোষণা কৰিছে ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিয়ে সম্বোধন কৰা এখন সংবাদমেলত। উক্ত সংবাদমেলখন সম্বোধন কৰি সত্ৰ পৰিচালনা সমিতিৰ প্ৰধান সম্পাদক পংকজ চৌধুৰীয়ে কয় যে বিগত বছৰৰ পৰা প্ৰদান কৰা 'ভৱানীপুৰীয়া গোপাল আতা বঁটা' সত্ৰৰ বাপ-বান্ধৱ, আই-মাতৃ সমস্তৰ পৰামৰ্শৰ ভিত্তিত দৌল মহোৎসৱত প্ৰদান কৰা হয়। বিগত বৰ্ষত প্ৰথমবাৰৰ বাবে এই বঁটাটো প্ৰদান কৰা হৈছিল ময়নবড়ী সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ গণেশ চন্দ্ৰ অধিকাৰীক। এইবেলি দ্বিতীয়বাৰৰ বাবে বঁটাটো প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক নিৰ্বাচন কৰা হৈছে। শ্ৰীশ্ৰী গোপাল দেৱ আতাই স্থাপন কৰা সত্ৰসমূহৰ উন্নয়নৰ লগতে সত্ৰৰ ভুমি বেদখল মুক্ত কৰিবলৈ লোৱা মুখ্যমন্ত্ৰীগৰাকীৰ ভূমিকাৰ কৃতজ্ঞতাৰ চিনস্বৰূপে এই বঁটাটো প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ সংবাদমেলত অৱগত কৰে। সত্ৰ পৰিচালনা সমিতিৰ প্ৰধান সম্পাদকগৰাকীয়ে প্ৰসংগক্ৰমে সাংবাদিকৰ আগত আৰু কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰৰ দৌল মহোৎসৱৰ কাৰ্যসূচীৰ ভিতৰত ১৪ নতুবা ১৫ মাৰ্চত আহি এই বঁটাটো গ্ৰহণ কৰিব বুলি জনাইছে যদিও দৌল মহোৎসৱৰ কাৰ্যসূচীৰ তৃতীয় দিনা তথা ১৫ মাৰ্চত বঁটা প্ৰদান অনুষ্ঠানটো অন্তৰ্ভুক্ত কৰা হৈছে লগতে। এই বঁটাত মানপত্ৰ এখন, শৰাই এখন, চেলেং চাদৰ এখন, গুৰু আসনসম্বলিত স্মাৰক এটা আৰু নগদ ধন আছে বুলিও তেওঁ কয়। সত্ৰৰ বাটচ'ৰাত দিনৰ ১১ বজাত অনুষ্ঠিত সংবাদমেলখনত ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি চণ্ডী প্ৰসাদ দাসে অংশ গ্ৰহণ কৰি ভৱানীপুৰ সত্ৰ স্থাপনৰ ইতিহাস আলোকপাত কৰি সত্ৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে অসমভিত্তিক এই বঁটাটো প্ৰবৰ্তন কৰা হৈছে বুলি কয়। অনুষ্ঠানত ভৱানীপুৰ সত্ৰৰ সত্ৰীয়া কৃষ্ণকান্ত নাথৰ লগতে সত্ৰ পৰিচালনা সমিতি আৰু শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱ উদ্যাপন সমিতিৰ বিষয়ববীয়া প্ৰসেনজিৎ মেধি, চন্দন বৈশ্য, জ্যোতিষ তালুকদাৰ, মহীধৰ তালুকদাৰ, ৰাজেন তালুকদাৰ, অজিত চৌধুৰী, ৰত্নকান্ত দাস, কুমাৰ কৃষ্ণকান্ত ডেকা, গোপাল বায়নকে ধৰি ভালেসংখ্যক বিশিষ্ট লোকে অংশ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ভৱানীপুৰ সত্ৰত অইন বছৰৰ দৰে পৰম্পৰাগত দৌল মহোৎসৱ এই বেলি চাৰিদিনীয়াকৈ পালন কৰা হ'ব। কাৰ্যসূচী অনুসৰি ১৩ মাৰ্চৰ পুৱা ৭.৩০ বজাত হেপী ক্লাবৰ উদ্যোগত পৰিৱেশ নিকাকৰণ, ৮ বজাত নিত্য প্ৰসংগ, ৮.৩০ বজাত গোসাঁইৰ পূজা-অৰ্চনা, বিয়লি ৪ বজাত ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰাইজমানি হোলী গীত প্ৰতিযোগিতা, সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন আৰু বৃন্দাবন উদ্বোধন, নিশা ৭ বজাত গোসাঁই দৌলত আৰোহণ আৰু আতচবাজী প্ৰদৰ্শন কৰা হব। ১৪ মাৰ্চৰ পুৱা ৭ ৩০ বজাত সত্ৰৰ ভকতৰ দ্বাৰা পৰিৱেশ নিকাকৰণ, পুৱা ৮ বজাত নিত্য প্ৰসংগ, ৮.৩০ বজাত গোসাঁইৰ পূজা-অৰ্চনা, ৯ বজাত গোসাঁইৰ সন্মুখত আয়তীৰ ঘোষা নাম পৰিৱেশন, ৯.৩০ বজাত যোগমোহন গৃহত গায়ন-বায়ন দলৰ অনুষ্ঠান পৰিৱেশন, ১০ বজাত মহিলাৰ থিয় নাম সমাৰোহ, বিয়লি ৪ বজাত কৈহাটী ঢুলীয়াৰ অনুষ্ঠান পৰিবেশন, নিশা ৭.৩০ বজাত ভৱানীপুৰ শংকৰী কলাকৃষ্টি সংঘৰ শিল্পীসকলৰ দ্বাৰা ধৰ্মমূলক নাট বিধাতাৰ লিখন মঞ্চায়ন কৰা হব। ১৫ মাৰ্চৰ পুৱা ৭.৩০ বজাত সত্ৰৰ আয়তীসকলৰ দ্বাৰা পৰিৱেশ নিকাকৰণ, ৮ বজাত নিত্য প্ৰসংগ, ৮.৩০ বজাত গোসাঁইৰ পূজা-অৰ্চনা, ৯ বজাত গোসাঁইৰ সন্মুখত আয়তীৰ ঘোষা নাম পৰিৱেশন, ৯.৩০ বজাত যোগমোহন গৃহত গায়ন-বায়ন দলৰ অনুষ্ঠান পৰিৱেশন, ১০ বজাত অসম ভিত্তিত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা, বিয়লি ৩ বজাত কৈহাটী ঢুলীয়াৰ অনুষ্ঠান পৰিবেশন, বিয়লি ৪ বজাত বঁটা প্ৰদান, বিশেষ সম্বৰ্ধনা অনুষ্ঠান আৰু মুখপত্ৰ 'গোপাল' উন্মোচন আৰু নিশা ৭.৩০ বজাত সত্ৰীয়া অনুষ্ঠান অনুষ্ঠিত কৰা হব। অন্তিম দিনৰ কাৰ্যসুচী অনুসৰি ১৬ মাৰ্চৰ পুৱা ৭.৩০ বজাত পৰিৱেশ নিকাকৰণ, ৮ বজাত নিত্য প্ৰসংগ, ৮.৩০ বজাত গোসাঁইৰ পূজা-অৰ্চনা, ৯.৩০ বজাত গোসাঁইক দৌলৰ পৰা অৱৰোহণ, ১০ বজাত সত্ৰৰ বাকৰিত হোলী গীত পৰিৱেশন, বিয়লি ২.৩০ বজাত সুঁৱেৰী আৰু গোসাঁইক কান্ধত লৈ উলিওৱা শোভাত্ৰাত 'মহামিলন' শীৰ্ষক সমুহীয়া হোলী গীত পৰিৱেশন, বিয়লি ৪ বজাত কৈহাটী ঢুলীয়াৰ অনুষ্ঠান পৰিবেশন, সন্ধিয়া ৬.৩০ বজাত সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠান আৰু নিশা ৯ বজাত সংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ক্ৰাইম ব্ৰান্সৰ জেৰা ৰণবীৰক

-মাতৃক লৈ কৰা অশালীন মন্তব্য সন্দৰ্ভত আইনী জটিলতাৰ সন্মুখীন হ'বলগীয়া হৈছে জনপ্ৰিয় ইউটিউবাৰ ৰণবীৰ এলাহবাদিয়া। এই গোচৰত আজি গুৱাহাটীত ক্ৰাইম ব্ৰাঞ্চৰ সন্মুখত হাজিৰ হয় ৰণবীৰ। জেৰাৰ সময়ত তদন্তকাৰী দলটোৱে ইউটিউবাৰকগৰাকীক দীৰ্ঘসময় ধৰি সোধা-পোছা কৰাৰ লগতে তেওঁৰ বক্তব্য লিপিবদ্ধ কৰে। উল্লেখ্য যে সময় ৰাইনাৰ বিতৰ্কিত শ্ব'টোৰ এটা খণ্ডত অতিথি হিচাপে উপস্থিত থাকি পিতৃ-মাতৃক লৈ আপত্তিজনক বিতৰ্কিত মন্তব্য কৰিছিল এলাহবাদিয়াই। অভিযোগ অনুসৰি সেই খণ্ডটোত তেওঁ যৌনতা আৰু পিতৃ-মাতৃ সম্পৰ্কত অশ্লীল মন্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে জনপ্ৰিয় ইউটিউবাৰজনৰ বিৰুদ্ধে সামাজিক উদগীৰণ ঘটে ক্ষোভৰ। একে সময়তে গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত ৰুজু কৰা হয় গোচৰ। গুৱাহাটী চাইবাৰ আৰক্ষী থানাত দাখিল কৰা গোচৰটো চাইবাৰ পি এছ কেছ নং ০৩/২০২৫ হিচাপে পঞ্জীয়ন কৰা হৈছে। ভাৰতীয় দণ্ডবিধি ২০২৩, তথ্য প্ৰযুক্তি আইন ২০০০, চিনেমাট'গ্ৰাফ আইন ১৯৫২, আৰু মহিলাৰ অশ্লীল প্ৰতিনিধিত্ব নিষেধাজ্ঞা আইন-১৯৮৬ ৰ একাধিক ধাৰা এই গোচৰত অন্তৰ্ভুক্ত কৰা হৈছে। কেৱল এলাহবাদিয়াই নহয়, শ্ব'টোৰ সৈতে জড়িত আন কেইবাজনো ইউটিউবাৰকো এই গোচৰত অভিযুক্ত কৰা হৈছে। অভিযুক্তসকলৰ ভিতৰত আছে সময় ৰাইনা, আশীস চাঞ্চালনী, যশপ্ৰীত সিং আৰু অপৰ্দ্ধপা মাখিজা। এই বিতৰ্কিত খণ্ডটোৰ সময়ত তেওঁলোকৰ বিৰুদ্ধে অশ্লীল মন্তব্য কৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে যোৱা সপ্তাহত আশীস চাঞ্চলনীক জেৰা কৰা হৈছিল। আৰক্ষীয়ে দাবী কৰে যে তেওঁ তদন্তত সহযোগ কৰিছে যদিও প্ৰয়োজন হ'লে তেওঁক পুনৰ চমন কৰা হ'ব পাৰে। গুৱাহাটীৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে কয় যে বাকী থকা অভিযুক্তক শীঘ্ৰে চমন কৰা হ'ব। তদন্ত এতিয়াও সম্পূৰ্ণ হোৱা নাই, গতিকে চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই বুলিও আৰক্ষী বিষয়াগৰাকীয়ে মন্তব্য কৰে। অন্যহাতে এলাহবাদিয়া আৰু অন্য অভিযুক্ত ইউটিউবাৰৰ এই আইনী যুঁজ সময়ত অধিক কঠিন হোৱাৰ আশংকা কৰা হৈছে। ২১ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে মহাৰাষ্ট্ৰ আৰু অসম চৰকাৰক গোচৰটো হয় বাতিল বা মুম্বাইলৈ হস্তান্তৰ কৰিবলৈ দাখিল কৰা আবেদন সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছিল। সমগ্ৰ দেশে এতিয়া এই গোচৰৰ ওপৰত চকু ৰাখিছে।

# দৰঙৰ মোৰামাৰীত চাইল্ড লাইনৰ অভিযান, ৭ শিশু শ্ৰমিক উদ্ধাৰ

**ই-সংবাদ, ছিপাঝাৰ, ৭ মাৰ্চঃ** আজি দৰং জিলাৰ মোৰামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত গেৰিমাৰী গাঁৱত চলা এক অতৰ্কিত অভিযানত ৭ টিকৈ শিশুশ্ৰমিক উদ্ধাৰ কৰা হয়। জিলাখনৰ শ্ৰম পৰিদৰ্শক ৰঞ্জন মহন্তৰ নেতৃত্বত জিলা শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়া, বেচৰকাৰী সংস্থা ছত্ৰ, চাইল্ড লাইনৰ লগতে আৰক্ষী তথা জিলা প্ৰশাসনৰ সহযোগত ইয়াত থকা গ্ৰীলৰ দোকান আৰু চানাচুৰ ফেক্টৰীৰ কামত নিয়োজিত হৈ থকা ৭ টিকৈ শিশুশ্ৰমিক উদ্ধাৰ কৰি মালিকৰ বিৰুদ্ধে মঙলদৈ থানাত এজাহাৰ দাখিল কৰা হয়। উল্লেখ্য যে উদ্ধাৰ কৰা শিশুসকলক জিলা শিশু কল্যাণ সমিতিৰ সন্মুখত হাজিৰ কৰোৱাৰ পিছত শিশুসকলৰ পিতৃ-মাতৃৰ হাতত চমজাই দিয়াৰ লগতে ভবিষ্যতে এনে কাৰ্যত নিয়োগ নকৰি পঢ়া-শুনাত গুৰুত্ব আৰোপ কৰিবলৈ অভিভাৱকসকলক সকীয়াই দিয়া হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুৰণিগুদামত যুৱকৰ মৃত্যু ৰহস্য

জিলাৰ পুৰণিগুদাম মুঢ়ানিত সংঘটিত হৈছে হৃদয় জোকাৰি যোৱা এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ এলেকাধীন মুঢ়ানি গাঁৱত সংঘটিত হোৱা উক্ত লোমহৰ্ষক হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে প্ৰণৱজ্যোতি বৰা নামৰ সৰবৰহী যুৱকজনৰ সন্দেহজনক মৃত্যুৰ খবৰে মৰ্মাহত কৰিছে সমগ্ৰ অঞ্চলবাসীক। জানিব পৰা মতে, পুৰণিগুদাম মুঢ়ানি গাঁৱৰ নিবাসী প্ৰয়াত চেনিৰাম বৰাৰ কনিষ্ঠ পুত্ৰ প্ৰণৱজ্যোতি বৰাৰ (বুবু) (৩৯)। নিথৰ দেহ আজি সন্দেহজনক অৱস্থাত পৰি ৰ'ল চুবুৰীয়া এঘৰৰ চোতালত।যোৱা নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই যুৱকজনক হত্যা কৰি চুবুৰীয়া এঘৰ মানুহৰ চোতালত পেলাই থৈ যোৱা বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। আজি পুৱা স্থানীয় লোকে যুৱকজনৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে।পৰৱৰ্তী সময়ত প্ৰণৱজ্যোতিৰ বাসগৃহত স্থানীয় ৰাইজ, বিভিন্ন দল-সংগঠনৰ ভৰি পৰে। ঘটনাস্থলীত পুৰণিগুদাম আৰু চামগুৰিৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, যোৱা কালি সন্ধ্যা প্ৰণৱজ্যোতিয়ে ভৰাগুৰি গাঁৱৰ এজন বন্ধুৰ ছোৱালীৰ জন্মদিন খাই নিশা বাৰপুজীয়াত এখন বিয়া খাবলৈ নিজৰ বলেৰো গাড়ীখন লৈ ওলাই গৈছিল। বাৰপুজীয়াত বিয়া খাই অহাৰ পাছত প্ৰণৱজ্যোতি ঘৰলৈ যোৱা নাছিল। আজি পুৱা প্ৰণৱজ্যোতিৰ নিথৰ দেহটো মুঢ়ানি গাঁৱৰ ঘৰৰ ওচৰৰে এঘৰ মানুহৰ চোতালত পৰি থকা অৱস্থাত স্থানীয় এজন লোকে প্ৰত্যক্ষ কৰে। কোনো অচিনাক্ত দুৰ্বৃত্তই যুৱকজনৰ ডিঙি চেপি হত্যা কৰা হৈছে বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অৱশ্যে কোনে কি কাৰণত যুৱকজনক হত্যা কৰিলে বৰ্তমান পৰ্যন্ত জানিব পৰা হোৱা নাই। আৰক্ষীৰ তদন্ততহে সমগ্ৰ ঘটনাটো পোহৰলৈ আহিব। অতি অমায়িক, সৰবৰহী আৰু নম্ৰ স্বভাৱৰ যুৱকজনৰ অস্বাভাৱিক মৃত্যুক সহজভাৱে ল'ব পৰা নাই স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে। সৰবৰহী যুৱকজন অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত আছিল। ব্ৰইলাৰ আৰু গাহৰি ফাৰ্ম খুলি প্ৰণৱজ্যোতিয়ে নিজে স্বাৱলম্বী হোৱাৰ লগতে স্থানীয় কেইবাজনো যুৱকক কৰ্ম সংস্থাপন দিছিল। স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে আৰক্ষীক খৰতকীয়াকৈ উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। অৱশ্যে যুৱকজনৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত চামগুৰি আৰক্ষী থানাত নগাঁও জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে আজি বিয়লি এখন সংবাদমেল সম্বোধন কৰে। আজি মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা চিকিৎসকৰ ভাষ্য অনুযায়ী আৰক্ষী অধীক্ষকগৰাকীয়ে যুৱকজনৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে উক্ত ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বতৰ্মানো তদন্ত কৰি আছে। মৃত প্ৰণৱজ্যোতি বৰা কংগ্ৰেছ দলৰ এজন সক্ৰিয় কৰ্মী হোৱাৰ উপৰি চামগুৰি সমষ্টিৰ যুৱ কংগ্ৰেছৰ উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে, স্থানীয় সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লগতো যুৱকজন নিবিড়ভাৱে জড়িত আছিল। প্ৰণৱজ্যোতি বৰাৰ অকাল মৃত্যুত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বক্ৰপথ লোৱা হেপ্পী গগৈ নিলম্বিত

কৰ্মচাৰীসকল দুৰ্নীতিৰ সৈতে সাঙোৰ খাই পৰিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰখন দুৰ্নীতিত নিমজ্জিত হোৱাৰ বাবে ৰাইজে পৰিৱৰ্তন কৰি ৰাজ্যত বিজেপি চৰকাৰ প্ৰতিষ্ঠা কৰিলে যদিও দুৰ্নীতি যে কোনোগুণে কমা নাই তাক বাৰে বাৰ প্ৰতিপন্ন কৰি আহিছে ৰাজ্যখনত ঘোচখোৰ বিষয়া-কৰ্মচাৰীসকলক হাতে-লোটে ধৰা পেলোৱা কাৰ্যই। শেহতীয়াকৈ দৰং জিলা পৰিবহণ বিভাগত ঘটিছে তেনে এক ঘটনা। জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়টোত একশ্ৰেণীৰ দালালৰ জৰিয়তে দীৰ্ঘদিনৰ পৰা সংঘটিত হৈ আহিছে ব্যাপক দুৰ্নীতি। বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে সহজেই ধন ঘটা স্থলীত পৰিণত হৈছে এই কাৰ্যালয়টো। আজি হঠাৎ বিভাগটোৰ দৰং জিলা কাৰ্যালয়ৰ যান-বাহন পৰিদৰ্শক হেপ্পী গগৈক বিভাগীয়ভাৱে চাকৰিৰ পৰা নিলম্বন কৰা ঘটনাই পুনৰ প্ৰতিপন্ন কৰিছে বিভাগটোৰ সীমাহীন দুৰ্নীতিৰ কথা। বক্ৰ পথেৰে ধন ঘটাৰ অভিযোগত বিষয়াজনৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা গ্ৰহণ কৰিছে বিভাগীয় কৰ্তৃপক্ষই। জানিব পৰা মতে, কিছুদিন ধৰি বিষয়াজনৰ বিৰুদ্ধে সময়ে সময়ে বিভিন্ন অভিযোগ উত্থাপন হৈ আহিছিল। বিষয়াজনৰ বিৰুদ্ধে প্ৰথমে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখি লাভ কৰিছিল বহু আপত্তিজনক তথ্য। এক বিশেষ সূত্ৰৰ পম খেদি বিভাগীয় কৰ্তৃপক্ষই আজি দৰং জিলাৰ যান-বাহন পৰিদৰ্শক হেপ্পী গগৈক নিলম্বনৰ নিৰ্দেশ দিয়ে। বিষয়াজনে কৰ্মৰত অৱস্থাত বিভিন্নজন দালাল নিয়োজিত কৰি অবৈধভাৱে বহু লক্ষাধিক ধন ঘটাৰ অভিযোগ উত্থাপিত হৈছিল। এই সংকান্তত আজি জিলা পৰিবহণ বিষয়াজনক সোধাত তেওঁ এয়া বিভাগীয়ভাৱে কৰা বুলি গা এৰা মন্তব্য কৰে। উল্লেখযোগ্য যে পূৰ্বৰ পৰিবহণ বিষয়াজনৰ লগত লগ লাগি নিলম্বিত বিষয়াজনে ড্ৰাইভিং লাইচেন্সৰ এক বৃহৎ কেলেংকাৰীত জড়িত হৈ পৰিছিল । বিভাগটোত এনে আৰু বহু কৰ্মচাৰী আছে যিয়ে কেৱল টকা ঘটিবলৈহে যেন দৰঙলৈ আহিছে। একপ্ৰকাৰ খিৰতী গাইত পৰিণত হৈছে বিভাগটো। বিভাগটোৰ এনফৰ্চমেন্ট শাখাৰ কৰ্মচাৰীসকলেও এক বৃহৎ জাল পাতি সোঁৰে-বাৰে ধন ঘটি থকাৰ অভিযোগ উত্থাপন হৈ আহিছে। দীৰ্ঘদিন ধৰি দৰং জিলাত চাকৰি কৰি থকা এইসকল এনফৰ্চমেন্ট কৰ্মচাৰীয়ে নিয়ম-নীতি নমনা গাড়ীসমূহৰ পৰা বুজন পৰিমাণৰ ধন মাহিলি হিচাপত সংগ্ৰহ কৰি চিণ্ডিকেট চলাই থকাৰো অভিযোগ প্ৰায়ে পোৱা যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰী মোদীৰ নিৰাপত্তাত এদল

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সেই সময়ত প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ সম্পূৰ্ণ দায়িত্ব ল'ব কেৱল মহিলা আৰক্ষী বিষয়াই। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে নাৰী শক্তি আৰু তেওঁলোকৰ দক্ষতাক সন্মান জনাই এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা বুলি মন্তব্য কৰে হৰ্ষ সাংঘৱীয়ে। একে সময়তে দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে প্ৰধামন্ত্ৰীৰ নিৰাপত্তাৰ দায়িত্ব সম্পূৰ্ণৰূপে মহিলাৰ হাতত ন্যস্ত হ'ব বুলিও। দাবী কৰে ৰাজ্যিক গৃহমন্ত্ৰীগৰাকীয়ে তেওঁ লগতে কয় যে নাৰী দিৱস উপলক্ষে এই বিশেষ পদক্ষেপত ২১০০ ৰো অধিক আৰক্ষী কৰ্মী, ১৮৭ গৰাকী উপ-পৰিদৰ্শক, ৬১ গৰাকী আৰক্ষী পৰিদৰ্শক, ১৬ গৰাকী আৰক্ষী উপায়ুক্ত, ৫ গৰাকী আৰক্ষী অধীক্ষক, এগৰাকী আৰক্ষী মহাপৰিদৰ্শক আৰু এগৰাকী অতিৰিক্ত মহিলা ডিজিপি জড়িত থাকিব। এই ৰেংকৰ এগৰাকী মহিলা বিষয়াই নিৰাপত্তাৰ ব্যৱস্থা চোৱাচিতা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে আৰু কয়, "এই পদক্ষেপে বিশ্বজুৰি মহিলাসকলৰ শক্তি আৰু তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত তেওঁলোকে লোৱা ভূমিকাক উজ্জ্বল কৰি তুলিব। ইয়াৰ দ্বাৰা গুজৰাটৰ দৰে ৰাজ্যত মহিলাসকলে কেনেদৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়েও বিশ্ববাসীৰ সন্মুখত তুলি ধৰা হ'ব।"

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচিৰ মান মেধা নাথাকিলে অসাৰ

প্ৰতিযোগিতামূলক পৰীক্ষাত মুঠ ১৩ লাখতকৈ অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। কিন্তু চতুৰ্থ বৰ্গৰ চালক, পিয়ন আদি পদৰ বাবে অস্বাভাৱিকভাৱে উচ্চ কাট অফ মাৰ্ক নিৰ্ধাৰণে প্ৰাৰ্থী আৰু অভিভাৱকৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। এই হাই কাট অফে ছ'চিয়েল মিডিয়াৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক মহললৈকে তুলিছে তীব্ৰ সমালোচনাৰ জোৱাৰ। উল্লেখ্য যে বিগত বৰ্ষৰ ২৭ অক্টোবৰত এইচএছএলচি, এইচএছএলচি, আইটিআই আৰু অষ্টম শ্ৰেণীৰ ভিত্তিত অনুষ্ঠিত হৈছিল চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা। ইফালে, তৃতীয় বৰ্গৰ পদৰ বাছনি প্ৰক্ৰিয়াত লিখিত পৰীক্ষাৰ লগতে দক্ষতা পৰীক্ষাৰো আয়োজন কৰা হৈছে, য'ত নম্বৰৰ ভিত্তিত দুটা পৰ্যায়ত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ চূড়ান্ত মেধা তালিকা প্ৰস্তুত কৰা হৈছে। কিন্তু পৰীক্ষাৰ ফলাফলত পোহৰলৈ অহা উচ্চ কাট অফ মাৰ্কক লৈ চালক, পিয়ন আদি পদৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হোৱা বহু প্ৰাৰ্থী যোগ্যতাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। চালকৰ পদত নিৰ্ধাৰিত কাট অফ মাৰ্ক ১২৭.৫০ হোৱাৰ পিছতে ফেচবুকত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে শিক্ষক ভিক্টৰ দাসে। তেওঁ কয়, "যদি ড্ৰাইভাৰ হ'বলৈ ১২৭ লাগে, তেন্তে মই ড্ৰাইভাৰ কিয় হ'ম? মোৰ ইমান প্ৰতিভা থাকিলে মই ড্ৰাইভাৰৰ সলনি বেলেগ কাম কৰিম। অসমৰ মুখ্যমন্ত্ৰীয়ে অসমত সকলো মানুহেই শিক্ষিত হোৱাটো বিচাৰিছে, ভাল কথা। কিন্তু এতিয়া অসমত থাকিবলৈ হ'লে ইউপিএছচি, এপিএছচি লেভেলৰ মেধা থাকিব লাগিব।" ভিক্টৰ দাসে লগতে কয়, "এতিয়া ড্ৰাইভাৰসকলে ইংৰাজীত কথা পাতিব লাগিব। ইংৰাজী নকলেও তেওঁলোক বহুত জ্ঞানী হ'ব। গতিকে প্লিজ আপোনালোক সকলোৱে ড্ৰাইভাৰসকলক অধিক সন্মান দিব।" ইফালে এই কাট অফ বিতৰ্কৰ লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো। তেওঁ কয় যে চৰকাৰে ইচ্ছাকৃতভাৱে কাট অফ মাৰ্ক বৃদ্ধি নকৰে। প্ৰাৰ্থীসকলৰ প্ৰদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰে। যদি ১০,০০০ প্ৰাৰ্থীয়ে ৫,০০০ পদৰ বাবে যোগ্যতা অৰ্জন কৰে, তেন্তে স্বাভাৱিকতে কাট অফ বেছি হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, ""কাট অফ মাৰ্ক হাই বা ল' বুলি কোনো কথা নাথাকে। কোনেও কাট অফ মাৰ্ক নিৰ্ধাৰণ নকৰে। ৫ হাজাৰ পদৰ বাবে যদি ১০ হাজাৰ প্ৰাৰ্থী মৌখিক পৰীক্ষাত অৱতীৰ্ণ হয়, তেন্তে কাট অফ মাৰ্ক নিজে নিজে হাই হব। চৰকাৰে কাট অফ মাৰ্ক হাই নকৰে, প্ৰাৰ্থীৰ মেধাৰ ওপৰত ভিত্তি কৰিহে হাই হয়।" উল্লেখযোগ্য যে ইউপিএছচি আৰু এপিএছচিৰ দৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা বহু পৰীক্ষাৰ্থীয়েও এই পৰীক্ষাত অৱতীৰ্ণ হৈছিল। বিশেষজ্ঞসকলৰ মতে, চৰকাৰী চাকৰিৰ চাহিদা আৰু নিবনুৱা সমস্যাৰ পৰিপ্ৰেক্ষিতত এনে প্ৰতিযোগিতামূলক পৰীক্ষাৰ গুৰুত্ব বৃদ্ধি পাইছে। কিন্তু এনে কঠিন পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা পৰীক্ষাৰ্থীৰ এইচএছএলচি, অষ্টম শ্ৰেণী উত্তীৰ্ণসকলৰ বাবে নিৰ্ধাৰিত কৰা তৃতীয়, চতুৰ্থ বৰ্গৰ পৰীক্ষাত প্ৰৱেশৰ ফলত বৃদ্ধি পোৱা কাট অফ মাৰ্কে তেনে সাধাৰণ মেধাসম্পন্ন পৰীক্ষাৰ্থীক যোগ্যতাৰ পৰা বঞ্চিত কৰাৰো অভিযোগ উত্থাপন হৈছে। কিন্তু ইয়াৰ মাজতে কাট অফ মাৰ্ক হাই হ'বই বুলিও নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে একাংশই। এগৰাকী পৰীক্ষাৰ্থী ছাত্ৰীয়ে কয়, "আগতে এনে ধৰণৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বহু কষ্ট কৰিবলগীয়া হৈছিল। আৰ্থিকভাৱে দুৰ্বলসকলৰ বাবে বেছি কঠিন আছিল। কিন্তু আজিকালি সকলোৱে পঢ়িব পাৰে, মোবাইলৰ জৰিয়তে প্ৰস্তুতি চলাব পাৰে। গতিকে কাট অফ মাৰ্ক উচ্চ হবই।' ইফালে, এই নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু মেধাভিত্তিক আছিল বুলি দাবী কৰিছে চৰকাৰে। প্ৰণিধানযোগ্য যে এডিআৰই ২০২৫ৰ নিযুক্তি অভিযানত অসমৰ বিভিন্ন চৰকাৰী পদত খালী হোৱা ১২,৬০০ টা পদ পূৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰে ৭৬০০ টা পদ তৃতীয় বৰ্গৰ বাবে আৰু ৫০০০ টা পদ চতুৰ্থ বৰ্গৰ বাবে আছে। তৃতীয় বৰ্গৰ বাছনি প্ৰক্ৰিয়াত লিখিত পৰীক্ষাৰ লগতে দক্ষতা পৰীক্ষাও অন্তৰ্ভুক্ত কৰা হৈছে, য'ত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ চূড়ান্ত মেৰিট তালিকা প্ৰস্তুত কৰা হ'ব। চতুৰ্থ বৰ্গৰ বাবে কেৱল লিখিত পৰীক্ষাৰ ভিত্তিত বাছনি কৰা হ'ব। অসমৰ ইতিহাসৰ অন্যতম বৃহৎ নিযুক্তি প্ৰতিযোগিতা হিচাপে চিহ্নিত হোৱা এই নিযুক্তি অভিযানত মুঠ ১৩ লাখৰো অধিক প্ৰাৰ্থীয়ে অংশগ্ৰহণ কৰে।

# উমৰাংছু কাণ্ড, ৫৯ দিনৰ মূৰকত দাখিল চাৰ্জশ্বিট

**ই-সংবাদ, ৭ মাৰ্চঃ** ডিমা হাচাওৰ উমৰাংছুৰ কয়লাৰ অবৈধ ৰেট হোল মাইনিঙৰ সময়ত ৯ শ্ৰমিক জীৱন্তে আবদ্ধ হৈ মৃত্যুক আঁকোৱালি লোৱা ঘটনাৰ আজি ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ তদন্ত সমিতি চমুকৈ এছআইটিয়ে চাৰ্জশ্বীট দাখিল কৰিছে। ৫৯ দিনৰ মূৰকত ডিমা হাচাওৰ মুখ্য ন্যায়াধীশ দণ্ডাধীশৰ আদালতত আজি বিশেষ তদন্ত সমিতিয়ে চাৰ্জশ্বীট দাখিল কৰে। আদালতত চাৰ্জশ্বীট দাখিল কৰিছে যদিও চাৰ্জশ্বীটত প্ৰভাৱশালী লোকৰ পৰিৱৰ্তে কেইজনমান শ্ৰমিক, মহৰীৰ নাম অভিযুক্তৰ তালিকাত সন্নিবিষ্ট কৰা হৈছে। চাৰ্শ্বীটখনত ১২ জন অভিযুক্তৰ নাম সন্নিবিষ্ট কৰা হৈছে। পুনীষ নুনিছা, আব্দুল হান্নান লস্কৰ, ৰণভদ্ৰ হাঞ্চুৰ, দিলদাৰ হুছেইন, বিপুল পুৰুছা, ইনামুদ্দিন, মনবাহাদুৰ ৰায়, সন্তোষ গুৰুং, বিক্ৰম গিৰিছা, মমনজিৎ লাংথাছা, নাজিৰুদ্দিন, আফজাল হুছেইনৰ নাম আছে চাৰ্জশ্বীটত। চাৰ্জশ্বীটত নাম থকা এইসকল হৈছে খননত নিয়োজিত শ্ৰমিক নাইবা খনি চোৰাচিতা কৰা মহৰী। এইকেইজন লোকক ঘটনা সংঘটিত হোৱা দিনকেইটাত গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ নামে চাৰ্জশ্বীটত উল্লেখ কৰা হৈছে। তাৰ মানে এয়াই যে কয়লা খননৰ ছিণ্ডিকেট চলোৱা শসকীয় দলৰ নেতা তথা নেতাৰ পৰিয়ালৰলোকৰ নাম চাৰ্জশ্বীটত উল্লেখ নাথাকিল। তদন্তই ঢুকি নাপালে শাসকীয় দলৰ প্ৰভাৱশালী নেতাৰ পৰিয়ালৰ সদস্যৰ নাম। চাৰ্জশ্বীটত পুঠি-খলিহনাৰ নাম আছে যদিও ৰৌ-বৰালীৰ নাম নাই। চাৰ্জশ্বীটত ৰহস্যজনকভাৱে নাম নাই কণিকা হোজাইৰ। কণিকা হোজাইৰ নামত চালান থকা তথা খননৰ অনুমতি থকা সুৰংগত কয়লা খান্দিবলৈ শ্ৰমিকসকল সোমাই মৃত্যুমুখত পৰিছিল। সেইগৰাকী কণিকাৰ নাম নোহোৱা কথাটো ৰহস্যজনক বুলি ব্যাপক চৰ্চা হ'ব ধৰিছে। কণিকা হোজাইৰ নামত থকা চালান সংবাদ মাধ্যমে লাভ কৰিছিল। সেইখন কমেও ২০ দিন ধৰি অসমৰ সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল। তাৰ পিছতো জিমা হাচাও স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ নাম এজাহাৰত উল্লেখ কৰাতো দূৰৰ কথা এছআইটি গঠনৰ পূৰ্বেও অসম আৰক্ষীয়ে এবাৰৰ বাবে সোধা-পোছা কৰিবলৈ মাতি আনিব নোৱাৰিলে। যিগৰাকী কণিকাক অসম আৰক্ষীয়ে মাতি আনিবলৈ ভয় কৰিলে সেইগৰাকী কণিকাৰ নাম চাৰ্জশ্বীটত নথকাটোৱেই স্বাভাৱিক বুলি ধৰিব ল'ব পাৰি। এছআইটি গঠনৰ পিছতে অসমবাসীয়ে আশা কৰিছিল যে মুখ্য দোষীৰ নাম ওলাব। কিন্তু তদন্ত তেনেদৰে আগ নাবাঢ়িল। উল্লেখ্য যে ৬ জানুৱাৰীত ডিমা হাচাওৰ তিনিকিলোত অবৈধ কয়লাখনিত কয়লা খনন কৰি থকাৰ সময়তে বহু শ্ৰমিক সুৰংগত আবদ্ধ হৈছিল। কিন্তু উদ্ধাৰকাৰী দলে ৯টা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এই কাণ্ডত শাসকীয় বিজেপি দলৰ লোক জড়িত বুলি বিৰোধী দলসমূহে অভিযোগ আনিছিল। খোদ ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই জড়িত আছিল বুলি অভিযোগ উঠিছিল। ৯ শ্ৰমিকে প্ৰাণ হেৰুওৱা সেই খনিটো অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক তথা ভূতত্ত্ব আৰু খনি বিভাগৰ প্ৰাক্তন সঞ্চালক নটৰাজন আনন্দে কণিকা হোজাইক খনন কৰিবলৈ অনুমতি দিছিল। সেই খনিটোতে ৯ শ্ৰমিকে প্ৰাণ হেৰুৱায়। এই ঘটনাৰ পিছতে অসমৰ বিৰোধী দলসমূহ সৰৱ হৈছিল। ঘটনাৰ উচিত তদন্ত কৰিবলৈ দাবী জনোৱাত মুখ্যমন্ত্ৰীয়ে ন্যায়িক তদন্ত ঘোষণা কৰাৰ লগতে ৰেট হোল মাইনিং তথা সকলো অবৈধ কয়লাৰ বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিছিল। তাৰ পিছতে প্ৰশাসনে ৰেট হোল মাইনিং বন্ধ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০ সহস্ৰাধিক জনজাতীয় লোকক

নিৰ্মাণৰ বাবে সাজু হৈছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ। কাৰ্বি আংলং জিলাৰ খটখটি-লংকাথাৰত ১৮ হাজাৰ বিঘা ভূমি অধিগ্ৰহণ কৰিবলৈ তৎপৰ হোৱাৰ সময়তে স্থানীয় কেইবাহাজাৰ থলগিৰীয়ে আতংকত দিন পাৰ কৰিছে। চৰকাৰে অধিগ্ৰহণ কৰিব খোজা বৃহৎ এলেকাত কাৰ্বি, নগা আৰু আদবাসী লোকে বসবাস কৰি থকাৰ লগতে মুকলি পথাৰত বাঁহ, কলগছ, ৰবি শস্য, চিত্ৰনলাৰ খেতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে কেইবাহাজাৰ থলগিৰীয়ে। দুশ বছৰ পূৰ্বৰ পৰা ঘৰ বান্ধি বসতি কৰি থকা লোকসকলৰ ঘৰ-দুৱাৰ উচ্ছেদ কৰাৰ লগতে জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল খেতিপথাৰ কাঢ়ি ল'ব খুজিছে চৰকাৰে। কেইবাটাও দশক ধৰি দখলত থকা ভূমি চৰকাৰে কাঢ়ি ল'ব খোজাত জনজাতীয় সমাজ পুনৰ সৰৱ হৈছে। আজি দুটাকৈ ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু কাৰ্বি আংলং সৌৰ শক্তি প্ৰকল্প প্ৰভাৱিত গণ অধিকাৰ সমিতিয়ে গুৱাহাটী প্ৰেছ ক্লাবত যুটীয়া সংবাদমেল সম্বোধন কৰি চৰকাৰক মাটি অধিগ্ৰহণৰ সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ শেষবাৰৰ বাবে সকীয়নি প্ৰদান কৰে। যুৱ সমাজকৰ্মী প্ৰণৱ দলে, সুব্ৰত তালুকদাৰ, কাৰ্বি আংলঙৰ মহিলা সমাজকৰ্মী বিক্ৰম হাঙ্গে আৰু অনিতা মেচে সংবাদমেল সম্বোধন কৰি কয় যে জাতি-মাটি-ভেটিৰ শ্ল'গান দিয়া বিজেপি চৰকাৰৰ এতিয়া প্ৰধান লক্ষ্য হৈ পৰিছে অসমৰ ভূমিপুত্ৰৰ মাটি অধিগ্ৰহণ। নেতাসকলে চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে উন্নয়ন আৰু বিকাশৰ নামত অসমৰ খাটিখোৱা মানুহক নিজৰ মাটিৰ পৰা উচ্ছেদ কৰি আদানী, আম্বানীৰ দৰে বৃহৎ বণিয়াৰ স্বাৰ্থ পূৰণ কৰাটো বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ এতিয়া প্ৰাথমিক আৰু প্ৰধান কৰ্তব্য হৈ পৰিছে। তথাকথিত উন্নয়ন আৰু বিকাশৰ নামত কাৰ্বি আংলঙৰ বৃহৎসংখ্যক কাৰ্বি, আদিবাসী আৰু নগা জনজাতীয় ৰাইজৰ ভূমিত অসম চৰকাৰে বুলডজাৰ চলাবলৈ সাজু হৈছে। অসম চৰকাৰৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰি ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু কাৰ্বি আংলং সৌৰ শক্তি প্ৰকল্প প্ৰভাৱিত গণ অধিকাৰ সমিতিয়ে কয় যে ষষ্ঠ অনুসূচীৰ নীতি-নিয়ম আৰু মূল সত্তাক সম্পূৰ্ণ নস্যাৎ কৰি কাৰ্বি আংলঙৰ খটখটি-লংকাথাৰত প্ৰায় ১৮০০০ বিঘা মাটিত এছিয়ান ডেভেলপমেন্ট বেংকৰ সাহায্যত ১০০০ মেগাৱাটৰ বৃহৎ সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বাবে অসম চৰকাৰ আগবাঢ়িছে। ইয়াৰ ফলত বৃহৎ অঞ্চলটোৰ ২৩ খন গাঁৱৰ ২০০ বছৰৰ পৰা বাস কৰি অহা প্ৰায় ২০ হেজাৰ কাৰ্বি, আদিবাসী আৰু নগা মানুহক উচ্ছেদ কৰি মাটি অধিগ্ৰহণ কৰা হ'ব। ইতিমধ্যে এই প্ৰস্তুতি অসম চৰকাৰে হাতত লৈছে আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অনুমতি প্ৰদান কৰিছে। প্ৰকল্পৰ নামত হ'বলগীয়া মাটি অধিগ্ৰহণ অসমৰ ইতিহাসৰ অন্যতম এক বৃহৎ মাটি অধিগ্ৰহণৰ ঘটনা হ'ব। আটাইতকৈ দুৰ্ভাগ্যজনক কথা এইটোৱেই যে প্ৰস্তাৱিত অঞ্চলৰ গাঁওবাসীক সম্পূৰ্ণ অন্ধকাৰত ৰাখি আৰু কোনো জনমত নোলোৱাকৈ অসম চৰকাৰে এই কাম কৰিবলৈ আগবাঢ়িছে।

যি কাৰ্য স্থানীয় মানুহৰ প্ৰতি যথেষ্ট অন্যায়জনক। প্ৰস্তাৱিত মাটিবোৰত অঞ্চলটোৰ স্থানীয় লোকে দীৰ্ঘদিনৰ পৰা খেতিবাতি কৰি আহিছে। মূলতঃ বাঁহ খেতি, কলগছ, ৰবি শস্যৰ খেতি, চিত্ৰনলাৰ খেতি কৰি আহিছে। ব্যৱসায়িকভাৱে কৰা এই বৃহৎ অঞ্চলটো জীৱ-জন্তুৰো অন্যতম গুৰুত্বপূৰ্ণ আৱাসস্থলী। জান-জুৰি, উপ-নৈ আদিৰে অসম-নাগালেণ্ড সীমান্তৰ এইটো এটা গুৰুত্বপূৰ্ণ জৈৱ-বৈচিত্ৰ্যৰ অঞ্চল। কিন্তু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু অসম চৰকাৰে এই মাটি দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ অনুপোযোগী মাটি হিচাপে চিহ্নিত কৰি ভূমি নীতিৰ চৰম উলংঘা কৰিছে। সমিতিয়ে সংবাদমেলত আৰু কয় যে ৰাজ্যৰ এতিয়া বিভিন্ন প্ৰান্তত চৰকাৰীভাৱে অবৈধ ভূমি অধিগ্ৰহণৰ ঘটনা সংঘটিত হ'বলৈ লৈছে। এডভান্টেজ অসমৰ নামত এই কাম এতিয়া চৰকাৰে তীব্ৰগতিত কৰিবলৈ লৈছে। সাধাৰণ খাটিখোৱা মানুহৰ জীৱন-জীৱিকাৰ প্ৰতি পিঠি দি কেৱল বৃহৎ বণিয়াৰ স্বাৰ্থত চৰকাৰে এই কাম কৰি আছে। যদি উন্নয়ন আৰু বিকাশৰ নামত সাধাৰণ মানুহ নিজৰ ঘৰ-বাৰী-খেতিপথাৰৰ পৰা উচ্ছেদিত হ'ব লগা হয়। তেন্তে চৰকাৰে কাৰ বাবে 'এডভান্টেজ' কৰি আছে বুলি সমিতিয়ে তাৎপৰ্যপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। সংবাদমেল যোগে চৰকাৰলৈ আহ্বান জনাই কয় যে প্ৰায় ২০ হাজাৰ কাৰ্বি-নগা-আদিবাসী মানুহৰ জীৱন-জীৱিকাৰ প্ৰতি দৃষ্টি ৰাখি প্ৰস্তাৱিত সৌৰশক্তি প্ৰকল্প বন্ধ কৰক। যদি কাৰ্বি আংলং তথা অসমৰ বিদ্যুৎ নাটনি পূৰণ কৰিবলৈ চৰকাৰে সঁচাকৈয়ে বিচাৰিছে তেনেহ'লে সৰু সৰু সৌৰশক্তি প্ৰকল্পৰ জৰিয়তে সেই নাটনি পূৰণ কৰক। দিল্লী তথা কেন্দ্ৰীয় চৰকাৰৰ বিদ্যুৎ চাহিদা পূৰণ কৰিবলৈ কাৰ্বি আংলঙৰ মানুহক উচ্ছেদ কৰিব সেই কথা মানি লোৱা নহ'ব। সেই কথা কেতিয়াও মানি লব নোৱাৰি। কোনোবা বৃহৎ বণিয়াৰ মুনাফাৰ স্বাৰ্থত কাৰ্বি আংলঙৰ মানুহে জীৱন-জীৱিকা হেৰুৱাব। এই কথা চৰম পৰিতাপৰ বিষয়। যিহেতু সমগ্ৰ ভাৰতবৰ্ষত পুনৰ নবীকৰণ শক্তি প্ৰকল্পসমূহ আদানীক গতাই দিয়া হৈছে। ভৱিষ্যতে প্ৰকল্পৰ সৈতে আদানী জড়িত হৈ নপৰিব সেই কথা নস্যাৎ কৰিব নোৱাৰি। এই বৃহৎ প্ৰকল্পৰ বাবে কোনো পাৰিপাৰ্শ্বিক অধ্যয়নো হোৱা নাই আৰু ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সংকেত পোৱাৰ কোনো প্ৰক্ৰিয়া সমাপ্ত কৰা নাই। অসমৰ ডাৱৰীয়া পৰিৱেশ তথা বৰষুণ আদিৰ ফলত এই প্ৰকল্প কিমান সফল হ'ব সেইটোও এটা গুৰুত্বপূৰ্ণ কথা। গতিকে বৃহৎসংখ্যক জনজাতীয় ৰাইজৰ জীৱন-জীৱিকা তথা বৃহৎ অঞ্চলটোৰ জৈৱ-বৈচিত্ৰ্যৰ স্বাৰ্থত প্ৰকল্প বন্ধ কৰাৰ অন্য গত্যন্তৰ নাই বুলি কৈ প্ৰকল্প বন্ধ নকৰিলে ধাৰাবাহিক প্ৰতিবাদ কৰাৰ হুংকাৰ প্ৰদান কৰে।

# ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা

**ই-সংবাদ, ৭ মাৰ্চঃ** নিৰ্বাচন খেলিবলৈ কুঁচকাৱাজ অব্যাহত ৰখাৰ সময়তে অসম ৰাজ্যিক নিৰ্বাচন আয়োগে আজি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰে। নিৰ্বাচন আয়োগৰ ঘোষণা অনুসৰি মুঠ ৩৬ টা পৰিষদীয় সমষ্টিতে ২ এপ্ৰিলত ভোটগ্ৰহণ আৰু ৪ এপ্ৰিলত ভোটগণনা কৰা হ'ব। ভোটগ্ৰহণ পুৱা ৭ বজাত আৰম্ভ হ'ব আৰু আবেলি ৩ বজাত সমাপ্ত হ'ব। ৰাভা হাছং স্বায়ত্তশাসিত এলেকাত ৩৬ টা পৰিষদীয় সমষ্টিত ৬৩০ টা ভোট কেন্দ্ৰ আছে। স্বায়ত্তশাসিত এলেকাত মুঠ ৪,৪৫,৫৮৬ জন ভোটাৰ আছে। ২২৯,৩৯৪ গৰাকী মহিলা আৰু অন্যান্য ২২ জন। আয়োগৰ জাননী অনুসৰি ৩৬ টা সমষ্টিত মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ১৫ মাৰ্চ। ১৭ মাৰ্চত মনোনয়ন পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীয়ে ১৯ এপ্ৰিললৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। অনিয়ম বা অপ্ৰত্যাশিত পৰিস্থিতিত প্ৰয়োজন হ'লে ২ এপ্ৰিলত কোনো কেন্দ্ৰত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব বুলি কয় আয়োগে। নিৰ্বাচনী বিধি কঠোৰভাৱে পালন কৰি নিৰ্বাচন প্ৰক্ৰিয়া অনুষ্ঠিত কৰা হ'ব বুলি জানিব পাৰ গৈছে। নিৰ্বাচনৰ সময়সূচী ঘোষণাৰ পিছত আদৰ্শ আচৰণবিধি তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব। নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ লগে লগে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ অঞ্চলত ৰাজনৈতিক কাৰ্যকলাপ যে তীব্ৰতৰ হব সেয়া নিশ্চিত। বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'বলৈ ইতিমধ্যে ব্যাপক প্ৰচাৰ চলাই গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বিশেষাধিকাৰ ভংগৰ অভিযোগ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

দলৰ নেতা দেৱব্ৰত শইকীয়াই। কংগ্ৰেছ বিধায়িনী দলৰ হৈ শিৰামণি বৰা, নুৰুল হুদাই স্বাক্ষৰ কৰা আবেদনখনত অধ্যক্ষক উদ্দেশ্যি এইবুলি কোৱা হয় যে মুখ্যমন্ত্ৰীজনে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত উল্লেখ থকা বুলি কৈ উল্লেখ নথকা কথা সদনত উপস্থাপন কৰি সদনৰ মৰ্যাদা হানি কৰিছে। বিধানসভাৰ অধ্যক্ষই সমগ্ৰ বিষয়টোৰ ওপৰত তথ্য দাখিল কৰিবৰ বাবে আহ্বান জনোৱাত আজি বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমত প্ৰকাশিত তথ্য সম্বলিতে বিশেষাধিকাৰৰ অভিযোগ উপস্থাপন কৰে। ইফালে, মন্ত্ৰী অশোক সিংহলৰ ওপৰত ভৰ্ৎসনা প্ৰস্তাৱো বিধানসভাৰ অধ্যক্ষই এতিয়ালৈকে গৃহীত কৰা নাই। মন্ত্ৰী সিংঘালে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান সৃষ্টি অসমীয়া সংস্কৃতিৰ হৃদস্পন্দন স্বৰূপ ভাওনা সন্দৰ্ভত নেতিবাচক মন্তব্য প্ৰদান কৰা বিষয়টো সদনত উত্থাপন কৰি কংগ্ৰেছৰ বিধায়িনী দলৰ পৰা সদনৰ মজিয়াত মন্ত্ৰী অশোক সিংহলক ভৰ্ৎসনা কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিছে। বিধানসভাৰ অধ্যক্ষই এই প্ৰস্তাৱো আলোচনাৰ মেজলৈ আনিবলৈ দিয়া নাই।

# বিধানসভাত জলসিঞ্চন সন্দৰ্ভত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

অখিল গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত এই ভুৱা তথ্য দিয়াৰ অভিযোগ উত্থাপন কৰিছে বিৰোধীয়ে। বিধায়ক অখিল গগৈয়ে বিধানসভাৰ বাজেট অধিৱেশনত উত্থাপন কৰিছিল খেতিপথাৰৰ পানী যোগান সন্দৰ্ভত তিনিটা প্ৰশ্ন। ইয়াৰে দ্বিতীয় প্ৰশ্ন অনুসৰি অখিল গগৈয়ে সুধিছিল যে, ২০২৪-২৫ বৰ্ষত অসমৰ নেট এগ্ৰিকালচাৰেল লেণ্ড কিমান হ'লগৈ? এই বৰ্ষত অসমৰ কিমান নেট ইৰিগেটেড লেণ্ড আৰু গ্ৰছ ইৰিগেটেড লেণ্ড আছে আৰু ই অসমৰ মুঠ কৃষিভূমিৰ কিমান শতাংশ? তৰাযুক্ত প্ৰশ্ন নং ১২২ত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে সুধিছিল এই কেইটা প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰত জলসিঞ্চন মন্ত্ৰী অশোক সিংঘলে উত্তৰ প্ৰদান কৰি কয়, ২০২৪-২৫ বৰ্ষত অসমৰ নেট এগ্ৰিকালচাৰেল লেণ্ডৰ পৰিমাণ ২৮.৬২ লাখ হেক্টৰ আৰু গ্ৰছ এগ্ৰিকালচাৰেল লেণ্ডৰ পৰিমাণ ৩৪.৯৪ লাখ হেক্টৰ। লগতে তেওঁ তথ্য ডাঙি ধৰে যে, এই বৰ্ষত অসমৰ নেট ইৰিগেটেড লেণ্ড ৬.৯৫ লাখ হেক্টৰ আৰু গ্ৰছ ইৰিগেটেড লেণ্ড ৮.৮০ লাখ হেক্টৰ। আৰু এই পৰিমাণ অসমৰ কৃষিভূমিৰ ২৪.২৮ শতাংশ। মন্ত্ৰীগৰাকীৰ এই উত্তৰৰ পাছত বিধানসভাৰ মজিয়াতেই বিভাগীয় মন্ত্ৰীক উভটি ধৰে বিৰোধীয়ে। অতিৰিক্ত প্ৰশ্ন উত্থাপন কৰি সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে কয়, 'মন্ত্ৰীয়ে বিষয়াৰ উত্তৰ সদনৰ মজিয়াত ডাঙি ধৰিছে বুলি উল্লেখ কৰিছে যদিও মই এই সন্দৰ্ভত আশ্বৰ্য্য প্ৰকাশ কৰিছো। অৰ্থনৈতিক জৰীপৰ সৈতে মন্ত্ৰীৰ তথ্যৰ কোনো মিল নাই। অৰ্থনৈতিক জৰীপ ২০২৩-২৪ৰ তথ্য অনুসৰি, ২০২২-২৩ চনৰ অসমত ২.৩৬ শতাংশ ভূমিতহে জলসিঞ্চনৰ সুবিধা আছে।' মন্ত্ৰীয়ে দিয়া তথ্য অনুসৰি ২৪ শতাংশ ভূমিত যদি জলসিঞ্চনৰ সুবিধা আছে, তেনেহ'লে বহু সমস্যা সমাধানেই হৈ যাব লাগিছিল বুলি মন্তব্য মনোৰঞ্জন তালুকদাৰৰ। অৰ্থনৈতিক জৰীপৰ তথ্যৰ বিপৰীত তথ্য সদনত ডাঙি ধৰি কিয় সদনক বিপথে পৰিচালিত কৰিব বিচাৰিছে বুলি প্ৰশ্ন উত্থাপন কৰে চিপিআইএমৰ বিধায়কগৰাকীয়ে। আনকি এই বিষয়ক লৈ বিধানসভাৰ বিশেষ নিয়মৰ অধীনত বিস্তৃত আলোচনাৰ দাবী কৰিলে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। মনকৰিবলগীয়া যে, বিধায়ক অখিল গগৈৰ প্ৰশ্নৰ উত্তৰ প্ৰদান কৰিবলৈ গৈ বিভাগীয় মন্ত্ৰী অশোক সিংঘাল যথেষ্ট বিব্ৰত হৈ পৰা যেন দেখিবলৈ পোৱা গ'ল। জলসিঞ্চন বিভাগৰ দুৰ্বলতা ঢাকিবলৈ গৈ মন্ত্ৰীগৰাকীয়ে বানপানীকেই দোষাৰোপ কৰি পলায়নৰ চেষ্টা চলোৱা বুলিও চৰ্চা চলা পৰিলক্ষিত হৈছে। জলসিঞ্চন বিভাগৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ অশোক সিংঘালে কেতিয়াবা যদি পীযুষ হাজৰিকাৰ জলসম্পদ বিভাগৰ কথা বা কেতিয়াবা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাই থাকিলে বুলিও সংবাদ মাধ্যমৰ সন্মুখত অভিযোগ উত্থাপন কৰে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। অখিল গগৈয়ে লগতে সুধিছিল যে অসমৰ সকলো খেতিপথাৰতে কেতিয়ালৈ ১০০ শতাংশ জলসিঞ্চনৰ সুবিধা উপলব্ধ হ'ব? এই প্ৰশ্নৰো চিধা উত্তৰ দিয়াত ব্যৰ্থ হ'ল মন্ত্ৰী অশোক সিংঘাল। অশোক সিংঘালে তেওঁৰ বিভাগৰ ব্যৰ্থতাবোৰেই সদনৰ মজিয়াত গাই থাকিল বুলি উল্লেখ কৰাৰ লগতে অখিল গগৈৰ অভিযোগ, অসমৰ খেতিপথাৰ দেখিয়েই পোৱা নাই অশোক সিংঘালে। লগতে সংবাদ মাধ্যমৰ সন্মুখত অখিল গগৈৰ মন্তব্য, অশোক সিংঘাল অসমত বেপাৰ কৰিবলৈ আহিছে। অসমৰ মাটি-পানীৰ সৈতে তেওঁৰ কোনো সম্পৰ্কই নাই। সেইবাবে তেওঁক জলসিঞ্চন বিভাগৰ মন্ত্ৰীত্বৰ পৰা বৰ্খাস্ত কৰাৰ দাবী অখিল গগৈৰ। অসমৰ খৰাংপীড়িত এলেকাৰ লোকে এতিয়াও পথাৰত এটুপি পানীৰ বাবে প্ৰকৃতিৰ মুখলৈ চাই থাকিবলগীয়া হয়। বহু অঞ্চলত এতিয়াও ভেকুলীৰ বিয়াৰে বৰষুণক আমন্ত্ৰণ জনোৱা হয়। অসমত কেতিয়া ভেকুলীৰ বিয়াৰ পৰম্পৰা শেষ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰি অখিল গগৈৰ মন্তব্য, 'অসমত আজিও ২৮% ভূমিহীন কৃষক, ৩২% উপান্ত কৃষক আছে। এই ৬০% দুখীয়া কৃষকে নিজৰ পথাৰত নিজৰ উদ্যোগত পানী যোগানৰ ব্যৱস্থা কৰিব নোৱাৰে। সকলো পথাৰত জলসিঞ্চনৰ ১০০% ব্যৱস্থা কৰি অসমৰ খেতিয়কক বছৰৰ সকলো সময়তে খেতি কৰাৰ ব্যৱস্থা কৰি দিব নে এইখন চৰকাৰে?'

# গোলকগঞ্জৰ নাৰকীয় হত্যাকাণ্ডৰ মূল অভিযুক্তক আটক

**ই-সংবাদ, গোলকগঞ্জ, ৭ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড আমতলাত ২০ ফেব্ৰুৱাৰীৰ নিশা চোৰৰ সন্দেহত অমানুষিক নিৰ্যাতন চলাই হত্যা কৰা ঘটনাত জড়িত মূল অভিযুক্ত মনিনুৰ ৰহমানক যোৱানিশা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, বিষখোৱা পঞ্চম খণ্ড লাউখোৱাকুটীৰ জগদীশ চন্দ্ৰ বৰ্মনক সিদিনা নিশা গাঁওখনত একাংশ উদণ্ড ৰাইজে চোৰৰ সন্দেহত হিংস্ৰ পশুৰ দৰে আক্ৰমণ চলায়। মৃতপ্ৰায় অৱস্থাত গোলকগঞ্জ আৰক্ষী উদ্ধাৰ কৰি ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। অৱস্থা সংকটজনক হোৱাত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰা হয়। ২৪ ফেব্ৰুৱাৰীৰ



নিশা গুৱাহাটীত চিকিৎসাধীন জগদীশৰ মৃত্যুক কেন্দ্ৰ কৰি গোলকগঞ্জত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত এজাহাৰ দিয়াত আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২)/১০৯/১১৭(৪)/৩(৫) আৰু ১০৩(২) ধাৰাত ৪৮/২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰে। আৰক্ষীয়ে তৎপৰতাৰে অভিযান চলাই চাৰিজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যেই হত্যাকাণ্ডত জড়িত গাঁওখনৰ ছফৰুদ্দিন সেখ (৫৯), আমিনুৰ সেখ (২৭), জমছেৰ আলী (৩৪) আৰু নুৰ ইছলাম ওৰফে গেদাক (৩৩) আটক কৰি আদালতত হাজিৰ কৰাৰ পাছত জে'ললৈ প্ৰেৰণ কৰে। হত্যাকাণ্ডত জড়িত মূল অভিযুক্তক বিচাৰি গোলকগঞ্জ আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান চলাই আহিছিল। অৱশেষত ৰতিয়াদহৰ এক গোপন স্থানৰপৰা গাঁওখনৰ ছফৰুদ্দিন সেখৰ পুত্ৰ মনিনুৰ ৰহমান (২৬)ক আটক কৰিবলৈ সক্ষম হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ৩ সাহিত্যিকলৈ সাহিত্য

অকাডেমিৰ অনুবাদ বঁটাৰ বাবে প্ৰকাশ কৰা ২১ জনীয়া তালিকাত অসমৰ অনুবাদক বঁটা প্ৰাপকৰ নাম ঘোষণা কৰা হৈছে। অসমৰ অঞ্জন শৰ্মা, বাসুদেৱ দাস আৰু উত্তৰা বৈসুমুথিয়াৰীক প্ৰদান কৰা হৈছে সাহিত্য অকাডেমিৰ অনুবাদ বঁটা। কনকলাল বৰুৱাৰ 'আৰ্লি হিষ্ট্ৰি অৱ কামৰূপ' নামৰ বুৰঞ্জী প্ৰসিদ্ধ ইংৰাজী গ্ৰন্থখন 'প্ৰাচীন কামৰূপৰ ইতিহাস' শীৰ্ষক নামেৰে অসমীয়ালৈ অনুবাদ কৰি অঞ্জন শৰ্মাই সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছে। হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' গ্ৰন্থখন বাংলালৈ অনুবাদ কৰি বঙালী সাহিত্যিক বাসুদেৱ দাসে সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছে। অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস 'কাঞ্চন' বড়ো ভাষালৈ অনুবাদ কৰি সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছে উত্তৰা বৈসুমুথিয়াৰীয়ে। দীৰ্ঘকালে সাহিত্যৰ সাধনা কৰি অহা তিনিগৰাকী সাহিত্যিকে এই স্বীকৃতি লাভ কৰাত স্বাভাৱিকতে আনন্দৰ বৈন্য বৈছে। সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰা অঞ্জন শৰ্মা অসম আন্দোলনৰ অক্লান্ত-অগ্ৰণী নেতা আছিল। ছাত্ৰ জীৱনৰ পৰাই তেওঁ লেখা-মেলা কৰিছিল। সাংবাদিকতাৰ সৈতে জড়িত সাহিত্যিক অঞ্জন শৰ্মাই 'আৰ্লি হিষ্ট্ৰি অৱ কামৰূপ' নামৰ গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰাৰ স্বীকৃতি স্বৰূপে সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছে। অসম আন্দোলনৰ সময়ত আন্দোলনত অংশ লোৱাৰ লগতে বিভিন্ন লেখা লিখি আন্দোলনক গতি দিছিল শৰ্মাই। জনপ্ৰিয় আলোচনী 'মহাবাহু'ৰ জৰিয়তে প্ৰকাশ কৰা লেখনিয়ে অসম আন্দোলনক শক্তিশালী ৰূপত আগবঢ়াই নিয়াত সহায় কৰিছিল। প্ৰাক্তন সতীৰ্থ সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য যুগান্ত বায়ন আৰু অসম আন্দোলনৰ অগ্ৰণী নেতা অৱসৰপ্ৰাপ্ত আই.এ.এছ বিষয়া হেমেন দাসে শৰ্মাক অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকী নেতাই অঞ্জন শৰ্মাই ৮০ ৰ দশকত নিজে সম্পাদনা আৰু প্ৰকাশ কৰা বহুল প্ৰচাৰিত জনপ্ৰিয় আলোচনী মহাবাহুৰ জৰিয়তে প্ৰকাশ কৰা লেখনিৰ কথা স্মৰণ কৰে। কোকৰাঝাৰ জিলাৰ তিতাগুৰি হালোৱাদল নিবাসী তথা কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ চানছুমা খুংগুৰ বৈসুমুথিয়াৰীৰ সহধৰ্মিণী, সাহিত্যিক উত্তৰা বৈসুমুথিয়াৰীয়ে সাহিত্য অকাডেমিৰ অনুবাদক বঁটা-২০২৪ লাভ কৰিছে। কোকৰাঝাৰৰ উত্তৰা বৈসুমুথিয়াৰীয়ে বঁটা পোৱাত জিলাখনত আনন্দৰ বন্যা বৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ বহুপঠিত উপন্যাস 'কাঞ্চন' বড়ো ভাষালৈ অনুবাদ কৰিছিল উত্তৰা বৈসুমুথিয়াৰীয়ে। সাহিত্য অকাডেমি অনুবাদক বঁটা লাভ কৰাৰ খবৰ পোৱাৰ পিছতেই উৎফুল্লিত হৈ পৰে উত্তৰা বৈসুমুথিয়াৰী। বাসগৃহত উত্তৰা বৈসুমুথিয়াৰীয়ে কয় যে 'কাঞ্চন' উপন্যাসখন পঢ়ি তেওঁ মোহাচ্ছন্ন হৈ পৰিছিল আৰু যাৰবাবে বড়ো ভাষালৈ অনুবাদ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কাঞ্চনৰ চৰিত্ৰটো তেওঁৰ প্ৰিয় আৰু কাঞ্চনে সমাজলৈ এক বাৰ্তা প্ৰেৰণ কৰিছে বুলি মন্তব্য কৰিছে। সাহিত্য অকাডেমি অনুবাদক বঁটা লাভ কৰাত তেওঁ সুখী হৈছে বুলি মন্তব্য কৰি উত্তৰা বৈসুমুথিয়াৰীয়ে কয় যে বড়োসকলৰ নতুন প্ৰজন্মই যদিও অসমীয়া কব পাৰে কিন্তু ভালদৰে অসমীয়া পঢ়িব নাজানে। প্ৰতিবেশী ভাষা পঢ়িব পাৰিলে ভাল বুলি মন্তব্য কৰি নতুন প্ৰজন্মক কাঞ্চনৰ দৰে উপন্যাসৰ সোৱাদ দিবলৈ 'কাঞ্চন' বড়ো ভাষাত অনুবাদ কৰা বুলি লেখিকাগৰাকীয়ে সদৰী কৰিছে। লেখিকাগৰাকীৰ ইতিমধ্যে পাঁচখন কিতাপ প্ৰকাশিত হৈছে আৰু চাৰিখন কিতাপ প্ৰকাশৰ পথত বুলি জানিব পৰা গৈছে। বড়ো জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ হকে নীৰৱে কাম কৰা সাহিত্যিক উত্তৰা বৈসুমুথিয়াৰীক দিয়া স্বীকৃতিয়ে জনজাতীয় সাহিত্যিকসকলক উৎসাহী কৰাত উৎসাহ দেখা গৈছে। বঁটাত থাকিব প্ৰশস্তি-পত্ৰ আৰু ৫০ হাজাৰ টকা। এক বিশেষ অনুষ্ঠানৰ জৰিয়তে এই বঁটা পিছত সাহিত্য অকাডেমিয়ে প্ৰদান কৰিব। ইপিনে বঁটা ঘোষণাৰ সময়তে বিতৰ্কতো সোমাই পৰিছে সাহিত্য অকাডেমী। কনকলাল বৰুৱাৰ 'আৰ্লি হিষ্ট্ৰি অৱ কামৰূপ' নামৰ বুৰঞ্জী প্ৰসিদ্ধ গ্ৰন্থখনক সাহিত্য অকাডেমিয়ে উপন্যাস বুলি উল্লেখ কৰিছে অকাডেমীয়ে। হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখনক 'চৌদাগৰেৰ ছেলে নৌকা বেয়ে যায়' অসমীয়া নামৰ উপন্যাস বুলি প্ৰকাশ কৰা হৈছে। বুৰঞ্জী প্ৰসিদ্ধ গ্ৰন্থক উপন্যাস আৰু অসমীয়া উপন্যাসক বাংলা নাম দি অকাডেমিয়ে বঁটাপ্ৰাপক সাহিত্যিকৰ নাম ঘোষণা কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি সাহিত্য অকাডেমিৰ অনুবাদ বঁটা ঘোষণাৰ তালিকাত ইমান ভুলকৈ কিয় তথ্য প্ৰকাশ পালে বুলি সচেতন মহলে প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে। ছ'চিয়েল মিডিয়াতো এই লৈ ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। এইবাৰ সাহিত্য অকাডেমিৰ অসমীয়া ভাষাৰ অনুবাদ বঁটাৰ বাবে জুৰীৰ সদস্য আছিল ড০ বন্দিতা গোস্বামী শইকীয়া, অধ্যাপক বিভাস চৌধুৰী আৰু পাৰ্থপ্ৰতিম হাজৰিকা। বাংলা ভাষাৰ জুৰীৰ সদস্য আছিল অৰুণ ছোম, ৰঞ্জন বেনাৰ্জী আৰু অমিতাভ গুপ্তা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আফিং খেতিক লৈ আলফাৰ বিবৃতি

বাহিনী স্বাধীনে অৰুণাচল প্ৰদেশৰ কানি খেতিয়কসকলৰ পৰা ধন দাবী কৰা বুলি বাতৰি ওলোৱাৰ পিছত সংগঠনটোৱে আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰি বিবৃতি প্ৰকাশ কৰিছে। সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক ঈশান অসমে জাৰি কৰা বিবৃতিত ধন দাবী কৰাৰ অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে। সংগঠনটোৰ তৰফৰ পৰা এক বিবৃতিত স্পষ্ট কৰে যে আলফা স্বাধীনে মানৱ সমাজত ব্যাধি সৃষ্টিকাৰী কোনো কাৰ্যৰ সৈতে কেতিয়াও জড়িত হোৱা নাই আৰু ভৱিষ্যতো নহ'ব। সংযুক্ত মুক্তি বাহিনী স্বাধীনে কঠোৰ ভাষাত কৈছে যে নিচাজাতীয় দ্ৰব্যৰ সেৱন আৰু সৰবৰাহৰ বিৰুদ্ধে তেওঁলোকে জন্মলগ্নৰে পৰা কঠোৰ স্থিতি পালন কৰি আহিছে। সংগঠনটোৱে এই সন্দৰ্ভত আগতে ৰাইজক অৱগত কৰি আহিছে বুলি কৈছে। বিবৃতিত উল্লেখ কৰা হৈছে, "আমাৰ সংগঠনে আফিং খেতিয়কৰ পৰা আৰ্থিক অনুদান সংগ্ৰহ কৰাৰ কোনো অৱকাশেই নাই।" সংগঠনটোৱে এই অভিযোগক শত্ৰুপক্ষৰ অপপ্ৰচাৰ বুলি অভিহিত কৰিছে। তেওঁলোকে কৈছে যে সংগঠনৰ বৰ্ধিত পৰিসৰত আতংকিত হৈ শত্ৰুপক্ষই তেওঁলোকক থলগিৰি ৰাইজৰ মানসপটত হেয় প্ৰতিপন্ন কৰিবলৈ এনে অপপ্ৰচাৰ চলাইছে। সংগঠনটোৱে ৰাইজক শত্ৰুপক্ষৰ এনে অপপ্ৰচাৰত পতিয়ন নাযাবলৈ আহ্বান জনাইছে। এই অপপ্ৰচাৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰি আলফাই কয় যে তেওঁলোকে সদায়ে মানৱ কল্যাণৰ বাবে কাম কৰি আহিছে আৰু ভৱিষ্যতেও কৰি থাকিব। তেওঁলোকে ৰাইজক সংগঠনৰ সঠিক তথ্যৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত ল'বলৈ অনুৰোধ জনাইছে। এই পৰিস্থিতিত স্থানীয় ৰাইজৰ মাজত আলফাৰ ভূমিকা আৰু উদ্দেশ্য সম্পৰ্কে সঠিক তথ্য প্ৰদান কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে বুলি কৈ কয় যে সংগঠনটোৱে পুনৰ কৈছে যে তেওঁলোকে কোনো ধৰণৰ অসামাজিক কাৰ্যৰ সৈতে জড়িত নহয় আৰু ৰাইজৰ সহযোগিতা আৰু বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি আগবাঢ়ি যাব বিচাৰে।

# লাহৰীঘাটৰ দাতিয়ালবড়ীত পথ দুৰ্ঘটনাত চাইকেল আৰোহী নিহত

**ই-সংবাদ, লাহৰীঘাট, ৭ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ মৃত্যু হয়। তীব্ৰবেগী বাইকে খুন্দিয়াই চাইকেল আৰোহীক দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে বাইক চালকজনে। এই ভয়ংকৰ পথ দুৰ্ঘটনাটো সংঘটিত হয় লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দাতিয়ালবড়ীত। ঘটনাৰ বিৱৰণী মতে, তীব্ৰবেগী বাইকে বিপৰীত দিশৰপৰা আহি থকা চাইকেল আৰোহীক খুন্দিওৱাৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় অমৰাগুৰি গাঁৱৰ আবু বক্কৰ ছিদ্দিকি চাইকেল আৰোহীজন। আৰোহীজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে নগাঁও চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কিন্তু মাজবাটতে আঘাতপ্ৰাপ্ত চাইকেল আৰোহীজনৰ মৃত্যু হয়।

# মহানগৰীৰ ট্ৰাংকফেক্টৰীত উচ্ছেদ অভিযান, ২৪টা ভাষিক সংখ্যালঘু পৰিয়ালৰ ঘৰত বুলডজাৰ

**ই-সংবাদ, ৭ মাৰ্চঃ** উচ্ছেদ অভিযানক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ থমকি ৰোৱা নাই। ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈ উচ্ছেদ অভিযান চলাই থকাৰ সময়তে এইবাৰ সকলোকে আঁচৰিত কৰি ধৰ্মীয় সংখ্যালঘুৰ বিপৰীতে ভাষিক সংখ্যালঘুৰ ঘৰ বুলডজাৰ লগাই ভাঙিলে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। গুৱাহাটী মহানগৰীৰ বিৰুবাৰী অঞ্চলত কামৰূপ জিলা প্ৰশাসনে আজি পুনৰ পৰা বুলডজাৰ লগাই কেইবাটাও ঘৰ ভাঙি দিয়ে। আজিৰ দিনটোত উচ্ছেদ অভিযান চলাই ২৪ টা ঘৰ ভাঙি পেলোৱা বুলি জানিব পৰা গৈছে। আজি পুনৰ বুলডজাৰসহ বৃহৎসংখ্যক আৰক্ষীৰ দল উপস্থিত হয় মহানগৰীৰ বিৰুবাৰী অঞ্চলত। ফলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। প্ৰশাসন আৰু আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ উপস্থিতত এটাৰ পিছত আনটো ঘৰ ভাঙিবলৈ আৰম্ভ কৰে। পৰিয়ালসমূহে ঘৰৰ পৰা বস্তু-বাহিনী উলিয়াবলৈ সময় নাপালে। আজি ২৪ টা পৰিয়ালৰ ঘৰ ভাঙি দিয়া হয়। আজি ভাঙি দিয়া ঘৰৰ মাজত তিনিমহলীয়া অট্টালিকাও আছিল। জানিব পৰা মতে, বিৰুবাৰীৰ ট্ৰাংক ফেক্টৰী এলেকাত বিগত ৩০ বছৰ ধৰি ৬৯ টা পৰিয়ালে চৰকাৰী ভূমিত বসবাস কৰি আছিল। আটাইকেইটা পৰিয়ালেই ভাষিক সংখ্যালঘু। তাৰেই ২৪ টা পৰিয়ালৰ ঘৰত আজি উচ্ছেদ চলোৱা হয়। ইতিপূৰ্বে প্ৰশাসনে চৰকাৰী ভূমি দখল কৰি থকা বেদখলকাৰীক চৰকাৰী ভূমি এৰিবলৈ জাননী জাৰি কৰিছিল। ৬ মাৰ্চত অন্তিমখন জাননী প্ৰদান কৰিছিল। ২৫ দিন পূৰ্বেও জাননী দিছিল প্ৰশাসনে। ৬৯টা পৰিয়ালৰ ভিতৰৰ ৪৫ টা পৰিয়ালে উচ্চ ন্যায়ালয়ৰ কাষ চাৰি হস্তক্ষেপৰ আহ্বান জনায়। আদালতত শুনানিও অনুষ্ঠিত হৈছে। আদালতত আবেদন নকৰা পৰিয়ালসমূহৰ ঘৰ আদি উচ্ছেদ কৰে প্ৰশাসনে। উচ্ছেদ অভিযানৰ সময়ত একাংশ লোকে বাধা দিয়াৰ প্ৰয়াস কৰে যদিও বৃহৎ আৰক্ষীৰ দলৰ সহায়ত প্ৰশাসনে উচ্ছেদ অভিযান চলাই ঘৰসমূহ ভাঙি পেলোৱা হয়। একাংশ লোকে তিনিটা দশক ধৰি বসবাস কৰি থকা নিজ ঘৰটো ভাঙি দিয়াত চকুলো টোকে। এগৰাকী অশীতিপৰ বৃদ্ধাই বিজেপিক তীব্ৰ সমালোচনা কৰে। বৃদ্ধাগৰাকীয়ে সাংবাদিকৰ কেমেৰাৰ সন্মুখত কয় যে মোৰ পৰিয়ালৰ ১৫টা ভোট। মই বিজেপিক ভোট দি আহিছো। আমি বিজেপিৰ মানুহ। কিন্তু বিজেপিয়ে মোৰ ঘৰটোকে ভাঙি দিলে। এনেদৰে কৈ হাতজোৰ কৰি বসবাসৰ একমাত্ৰ সম্বল ঘৰটো ভাঙি নিদিবলৈ কাতৰ আহ্বান জনায় আৰু কয় যে এইখন চৰকাৰে আমাৰ ৰাস্তালৈ নিলে। এইখন চৰকাৰে আমাক অন্যায় কৰিছে। আমি ৩০ বছৰ ধৰি এই মাটিত ঘৰ বান্ধি আছো। আমি দুদিন সময় বিচাৰিছিলো। কিন্তু চৰকাৰে সময় নিদিলে। আমি বিল পুতি ঘৰ বনাইছিলো। তেতিয়া চৰকাৰে একো গুৰুত্ব নিদিলে। আমি জাননী পৰাহি পাইছো। আন এগৰাকী অশীতিপৰ বৃদ্ধাই কয় যে আপুনি গৰিব-দুখীয়াৰ ঘৰ ভাঙিছে। আপোনাক ভোট কোনে দিব। আমি এতিয়া ক'ত থাকিম। ঘৰ-বাৰী নোহোৱা হ'ল। চকুৰ সন্মুখত আপোন ঘৰখন জেচিবিয়ে তচনচ কৰাত কান্দোন ভাঙি পৰে একাংশ লোক। পৰিয়ালসমূহৰ কণ কণ সন্তান থকাৰ লগতে ৰুগীয়া লোকো থকা বুলি জানিব পৰা গৈছে।

# খোৱাং চাহ বাগিচাত প্ৰৱৰ্তন কৰা নতুন নিয়মৰ বিৰুদ্ধে শ্ৰমিকৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৭ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ তালাপৰ খোৱাং চাহ বাগিচাৰ পৰিচালকৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈ আজি বাগিচাখনৰ একাংশ শ্ৰমিকে পৰিচালকৰ কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ব্ৰিটিছৰ শাসন কালত চলা কিছুমান নীতি-নিয়ম প্ৰৱৰ্তন কৰি বাগিচাখনৰ পৰিচালকজনে শ্ৰমিকক হাৰাশাস্তি কৰাৰ অভিযোগ তুলি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী শ্ৰমিকসকলে চাহ উদ্যোগৰ দুশ বছৰীয়া কালত কোনোদিনেই প্ৰযোজ্য নোহোৱা কেতবোৰ নিয়ম প্ৰবৰ্তন কৰি শ্ৰমিকৰ ওপৰত অত্যধিক কামৰ বোজা জাপি দিয়া চাহ বাগিচাখনৰ পৰিচালক মনীষ শৰ্মাই দীৰ্ঘদিনৰ ধৰি চাহ শ্ৰমিকক কুকুৰ-মেকুৰীৰ দৰে আচৰণ কৰাৰ উপৰি ব্ৰিটিছ শাসনকালত প্ৰৱৰ্তন কৰা কিছুমান নিয়ম বান্ধি দিয়াৰ অভিযোগ তোলে। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ কেন্দ্ৰীয় সমিতি তথা তালাপ শাখা সমিতিৰ বিষয়ববীয়াই আজি বাগিচাখনত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে পৰিচালকজনৰ এনে কৰ্মকাণ্ডক গৰিহণা দিয়ে। আজিৰ প্ৰতিবাদত শ্ৰমিকসকলে শ্ৰমিকৰ ওপৰত জাপি দিয়া ন ন আইন আৰু শোষণ-বঞ্চনাক কোনো কাৰণতেই মানি লোৱা নহ'ব বুলিও হুংকাৰ দিয়ে। উল্লেখ্য যে খোৱাং চাহ বাগিচাখন বহুজাতিক চাহ কোম্পানী Apeejay ৰ অধীনস্থ আছিল যদিও লোকচানৰ কথা দোহাই দি ২০২৩ বৰ্ষৰ নৱেম্বৰ মাহত ডিব্ৰুগড়ৰ বেৰিয়াল নামৰ পুঁজিপতিজনক বাগিচাখন বিক্ৰী কৰাৰ পাছৰে পৰাই গৰাকীজনে কেতবোৰ নতুন নীতি-নিয়ম প্ৰয়োগ কৰিবলৈ ধৰাত বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকল ক্ৰমাৎ ক্ষুব্ধ হৈ পৰে। বাগিচাখনত দীৰ্ঘদিন ধৰি অস্থায়ী ভিত্তিত কাম কৰি অহা শ্ৰমিকসকলক বঞ্চিত কৰি বাগিচাৰ নতুন গৰাকীজনে বাহিৰৰ পৰা মানুহ আনি বাগিচাৰ কাম-কাজ চলাবলৈ লোৱাৰ উপৰি নতুন গৰাকীজনে মহিলা শ্ৰমিকসকলক কামত কিঞ্চিৎ মানো সকাহ নিদি কামৰ বোজা বঢ়াই তোলে। এককথাত নতুন মালিকে সম্পূৰ্ণ স্বেচ্ছাচাৰিতাৰে শ্ৰমিকসকলক হাৰাশাস্তিৰে বাগিচাখন চলাই আহিছে। এই সন্দৰ্ভত জিলা শ্ৰম আয়ুক্তক আটছাই স্মাৰক-পত্ৰ প্ৰদান কৰাত যোৱা নৱেম্বৰ মাহত জিলা শ্ৰম আয়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত সহঃ শ্ৰম আয়ুক্ত, আটছাৰ প্ৰতিনিধি আৰু বাগিচাখনৰ নতুন গৰাকী বেৰীয়ালৰ লগতে আন এজন অংশীদাৰ কেশানৰ মাজত এক ত্ৰি-পাক্ষিক বৈঠক অনুষ্ঠিত হোৱাত প্ৰায় ১০ টা চুক্তিও সম্পাদিত হৈছিল।

# ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দাবীত অসমীয়া যুৱ মঞ্চৰ টিৰাপ-জাগুন আঞ্চলিক সমিতিৰ স্মাৰক-পত্ৰ প্ৰদান

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৭ মাৰ্চঃ** মাৰ্ঘেৰিটা সম-জিলাৰ অন্তৰ্গত জৰাজীৰ্ণ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দাবী জনাই আজি অসমীয়া যুৱ মঞ্চৰ টিৰাপ-জাগুন আঞ্চলিক সমিতিয়ে মাৰ্ঘেৰিটা সম-জিলা আয়ুক্তক জৰাজীৰ্ণ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথছোৱা নিৰ্মাণৰ দাবীত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। মাৰ্ঘেৰিটা সম-জিলাৰ অন্তৰ্গত মাৰ্ঘেৰিটাৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিশেষকৈ যাতায়াতৰ বাবে অনুপযোগী হৈ পৰা লিড়ুৰ টিৰাপ আৰু বৰগোলাই অংশ অতি শীঘ্ৰে নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। অন্যথা অসমীয়া যুৱ মঞ্চই ৰাইজৰ সহযোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি হুংকাৰ প্ৰদান কৰে। আজিৰ এই স্মাৰক-পত্ৰ প্ৰদান অনুষ্ঠানত উপস্থিত থাকে অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সভাপতি গৌতম বৰুৱাসহ টিৰাপ জাগুন আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু ভালেসংখ্যক কৰ্মকৰ্তা।

## ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে মহিলাৰ স্বাস্থ্য সজাগতামূলক কাৰ্যসূচী

**ই-সংবাদ, ডিব্ৰুগড়, ৭ মাৰ্চঃ** আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড় মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা সংকল্পঃ মহিলা সৱলীকৰণ কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, স্বাস্থ্য বিভাগৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ সহযোগত ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ ট্ৰেইনিং হ'লত আজি মহিলাৰ স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন সমস্যাৰ ওপৰত সজাগতামূলক কাৰ্যসূচীৰ লগতে মুখ, স্তন আৰু জৰায়ু মুখৰ কৰ্কটৰোগৰ বিনামূলীয়া পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে মহিলাসকলক নিজৰ স্বাস্থ্যৰ প্ৰতি সদায়ে সচেতন হ'বলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগতে যিকোনো দুৰাৰোগ্য ৰোগৰ পৰা হাত সাৰিবলৈ তথা যিকোনো ৰোগৰ আগতীয়া চিনাক্তকৰণ বাবে সময়ে সময়ে চিকিৎসকৰ পৰামৰ্শ অনুসৰি নিজৰ স্বাস্থ্যৰ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আহ্বান জনায়। এই কাৰ্য্যসূচীত মুখ্য বক্তা হিচাপে উপস্থিত থাকে অসম চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ অধ্যাপিক ডাঃ তুলিকা গোস্বামী মহন্ত, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ পৰামৰ্শদাতা ডাঃ তানমা মহন্ত আৰু জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক (ভাৰপ্ৰাপ্ত ) ডাঃ তৃষ্ণা বৰা। কেউগৰাকী বক্তাই মহিলাৰ স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন সমস্যাৰ লগতে মুখ, স্তন আৰু জৰায়ু মুখৰ কৰ্কটৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু চিকিৎসা সন্দৰ্ভত আলোকপাত কৰে। কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্তদ্বয় নন্দিতা বৰুৱা আৰু সংঘমিত্ৰা বৰুৱা, মহকুমাধিপতি সদৰ অৰিজিৎ মহাজন, মহকুমাধিপতি সদৰ এম জে থাওসেন, ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া ৰিমা তৃষ্ণা হালৈ প্ৰমুখ্যে জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকল, স্বাস্থ্য বিভাগ আৰু ডিব্ৰুগড় মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা সংকল্পঃ মহিলা সৱলীকৰণ কেন্দ্ৰৰ বিষয়ববীয়াসকল, জিলাখনৰ বিভিন্ন কাৰ্যালয়ৰ মহিলা কৰ্মচাৰীসকল আৰু চাহ বাগিচা এলেকাৰ যথেষ্ট সংখ্যক মহিলা উপস্থিত থাকে।




ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে মহিলাৰ স্বাস্থ্য সজাগতামূলক কাৰ্যসূচী

### মহিলা শিক্ষকসহ কেবাগৰাকী শিক্ষকক বিদ্যালয়ৰ কাৰ্যালয়তে অপদস্থ

## মোৰাঝাৰত সংগঠনৰ নেতা-ফেচবুক সাংবাদিকক আটক কৰি চমজালে আৰক্ষীক

**ই-সংবাদ, মোৰাঝাৰ, ৭ মাৰ্চঃ** হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰ এলেকাৰ বুৰুংগাতলি মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকক অপদস্থ কৰা স্বয়ম্ভু এ জে ৱাই চি পিৰ নেতা আৰু ফেচবুক পেজৰ এগৰাকী সংবাদিক ছাত্ৰ-ছাত্ৰীৰ হাতত আটক হ'বলগীয়া হয়। অভিযোগ মতে, বিদ্যালয় চলি থকাৰ সময়তে বিদ্যালয়ত প্ৰৱেশ কৰি প্ৰধান শিক্ষকসহ অন্যান্য শিক্ষকক অপদস্থ কৰিছিল এজন স্বয়ম্ভু সাংবাদিক আৰু এ জে ৱাই চি পিৰ অন্য দুই স্থানীয় নেতাই। যুৱকদ্বয় এ জে ৱাই চিপিৰ লগত জড়িত হয়নে নহয় সেয়া অৱশ্যে নিশ্চিত নহয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক নুৰুল হুদাই দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে, এগৰাকী মহিলা শিক্ষককো অপদস্থ কৰে দলটোৱে। বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী আশা শীলক দুৰ্ব্যৱহাৰ কৰাত হুকহুকাই কান্দি উঠে শিক্ষয়ত্ৰীগৰাকী। ঘটনা দেখি ক্ষোভিত হৈ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে আটক কৰে তিনিওগৰাকী যুৱকক। উত্তপ্ত পৰিস্থিতিৰ মাজতে বিদ্যালয়খনৰ পৰা তিনিওকে আটক কৰি মোৰাঝাৰ থানালৈ লৈ যায় আৰক্ষীয়ে। যুৱক তিনিওজন ক্ৰমে আব্দুল হাছিব, চুহেল আলম কবিৰ আহমেদৰ পুত্ৰ তায়িব বুলি এজাহাৰত প্ৰকাশ। জানিব পৰা মতে, বিদ্যালয়ত দুৰ্নীতিৰ অভিযোগ তুলি অনাধিকাৰ বিদ্যালয়ৰ কাৰ্যালয়ত প্ৰৱেশ কৰি শিক্ষক-শিক্ষয়ত্ৰীক দুৰ্ব্যৱহাৰ কৰিছিল তিনিওজন যুৱকে। ছাত্ৰ-ছাত্ৰীক পাঠদানতো বাধা দিছিল সাংবাদিক আৰু ছাত্ৰ সংগঠনৰ নেতা বুলি পৰিচয় দিয়া যুৱক তিনিজনে। পিছত কাৰ্যালয় কক্ষতে তিনিওকে আবদ্ধ কৰি আৰক্ষীক খবৰ দিয়ে বিদ্যালয় কৰ্তৃপক্ষই। যুৱককেইজনৰ বিৰুদ্ধে পূৰ্বৰে পৰা ধন দাবীৰো অভিযোগ আছে।



খোৱাং চাহ বাগিচাত প্ৰৱৰ্তন কৰা নতুন নিয়মৰ বিৰুদ্ধে শ্ৰমিকৰ উত্তাল প্ৰতিবাদ

## ডবকাত শিল কঢ়িওৱা পাঁচখনকৈ ডাম্পাৰ জব্দ

**ই-সংবাদ, মোৰাঝাৰ, ৭ মাৰ্চঃ** অবৈধভাৱে শিল চালানৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে ডবকাস্থিত যমুনা উপত্যকা বনাঞ্চলিক বিষয়া বিজিত ভট্টাচাৰ্য। ডবকাত বিষয়াগৰাকীয়ে যোগদানৰ পিছৰে পৰা বনজ সম্পদ অবৈধ সৰবৰাহকাৰীৰ বিৰুদ্ধে কেবাটাও সফল অভিযান চলাইছে। আজি চালানবিহীনভাৱে শিল কঢ়িয়াই থকা কেবাখনো ডাম্পাৰ জব্দ কৰে বন বিভাগে। কাৰ্বি আংলঙৰ পৰা ডবকাৰ বিভিন্ন ক্ৰেচাৰলৈ শিল কঢ়িয়াইছিল বাহনকেইখনে। বন বিভাগৰ তালাচীত জব্দ কৰা বাহন কেইখন হৈছে ক্ৰমে AS-01 RC-8005, AS-01 PC-8851, AS-05 AC-1196, AS-09 C-6300, আৰু NL-07 AA-2781। বন বিভাগে বাহনকেইখন জব্দ কৰি বিভাগীয় তদন্ত অব্যাহত ৰাখিছে।

## ৰমজান মাহত মোৰাঝাৰৰ চামৰালিত এডোখৰ ভূমিক লৈ দুই ফৈদৰ প্ৰচণ্ড মাৰপিট

**ই-সংবাদ, মোৰাঝাৰ, ৭ মাৰ্চঃ** হোজাই জিলাৰ মোৰাঝাৰৰ চামৰালিত এডোখৰ মাটিক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই আক্ৰমণত দুয়োটা ফৈদৰ কেবাজনো লোক গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, বহু বছৰৰ পৰা এই দুই ফৈদৰ মাজত এডোখৰ মাটিক লৈ বিবাদ চলি আছিল। গোচৰ চলাকালীন অৱস্থাত আজি পৰিকল্পিতভাৱে নজৰুল ইছলামৰ নেতৃত্বত অহা এটি ফৈদে হাতে হাতে লাঠী, ৰোড লৈ ৰফিকুল হকৰ ঘৰত অনধিকাৰ প্ৰৱেশ কৰি আক্ৰমণ কৰা বুলি অভিযোগ উত্থাপন হৈছে। হাতে হাতে লাঠী লৈ কৰা আক্ৰমণ-প্ৰত্যাক্ৰমণত বৃদ্ধ মহিলাসহ কেবাজন লোক আহত হয়। আহতসকলক ততাতৈয়াকৈ হাস্পটালত ভৰ্তি কৰা হয়। সংকটজনক অৱস্থাত দুজনক হাম হাস্পতাললৈ প্ৰেৰণ কৰা হয়। এই আক্ৰমণত ৰফিকুল হকৰ লগতে বহু কেইজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনা সংক্ৰান্তত আক্ৰমণকাৰীৰ বিৰুদ্ধে চৌধুৰী বজাৰ উপ-আৰক্ষী চকীত দুয়ো পক্ষই এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৬ জনকৈ লোকক আটক কৰি সোধা-পোছা আৰম্ভ কৰিছে।

## ফটাশিলত কৃত্ৰিম অংগ শিবিৰ 'আলম্বন' উদ্বোধন

**ই-সংবাদ, গুৱাহাটী, ৭ মাৰ্চঃ** মাৰৱাৰী যুৱ মঞ্চ আৰু জাষ্টিছ বি এল হংসাৰিয়া ফাউণ্ডেচনে আজিৰে পৰা ৯ মাৰ্চলৈকে কৃত্ৰিম অংগ শিবিৰ 'আলম্বন'ৰ উদ্বোধন কৰে। গুৱাহাটী গ্ৰেটাৰ, কামাখ্যা, গুৱাহাটী সমৃদ্ধি, প্ৰফেছনেল, অমৃত, অমৃত উদয়, প্ৰগতি, উদয়, বেলতলা শিখৰ আৰু শিৱসাগৰ প্ৰগতি শাখাসমূহে শিবিৰটো আয়োজনত অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণি দীপ প্ৰজ্বলন আৰু অসমীয়া জাতীয় সংগীত পৰিৱেশনৰে কৰা হয়। সভাপতিৰ স্বাগতম ভাষণৰ পাছত প্ৰান্তীয় সভাপতি পংকজ জালানে সভাক সম্বোধন কৰে। কাৰ্যসূচীৰ মুখ্য অতিথি সুতপা চক্ৰৱৰ্তী (ভাৰতৰ পেৰালিম্পিক কমিটিৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা নিৰ্বাচিত সদস্য)য়ে মাৰৱাৰী যুৱ মঞ্চৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে আৰু সমাজৰ প্ৰতি সজাগ হৈ কাম কৰাৰ বাবে ধন্যবাদ জনায়। শিবিৰৰ পঞ্জীয়নৰ বাবে এটা এপৰ ব্যৱস্থা কৰা হৈছিল, য'ত ৮০ৰো অধিক পঞ্জীয়ন কৰা হৈছিল। সকলোৰে বাবে বিনামূলীয়া থাকিবলৈ আৰু খাবলৈৰ ব্যৱস্থাও কৰা হয়। শিবিৰৰ প্ৰথম দিনা ৩৫ জন উপভোক্তাই এই শিবিৰৰ সুবিধা লয়।

# ভাৰতীয় ষ্টেট বেংকৰ ডুমডুমা শাখাত এছ বি আই শক্তি সামৰ্থ্য দিৱস

**ই-সংবাদ, তিনিচুকীয়া, ৭ মাৰ্চঃ** ৮ মাৰ্চ, আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি ভাৰতীয় ষ্টেট বেংকৰ ডুমডুমা এ চি বি শাখা(এগ্ৰি কমাৰ্চিয়েল ব্ৰাঞ্চ)ত আজি এছ বি আই শক্তি সামৰ্থ্য দিৱস পালন কৰে। এই উপলক্ষে শাখাত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰো আয়োজন কৰা হয়। অনুষ্ঠানত বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ তথা ডুমডুমাৰ বিশিষ্ট সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ কৰ্কট ৰোগ বিশেষকৈ স্তনৰ কৰ্কট ৰোগৰ ওপৰত বক্তৃতা প্ৰদান কৰাৰ লগতে ইয়াৰ কাৰণ আৰু সাৱধানতাৰ বিষয়ে বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। ডাঃ ডেকাই স্তনৰ কৰ্কট ৰোগৰ লক্ষণসমূহৰ সন্দৰ্ভতো আলোকপাত কৰাৰ লগতে মহিলাৰ পৰিপুষ্টিৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে। ডাঃ ডেকাই কয় যে এক শতাংশ পুৰুষৰো স্তনৰ কৰ্কট ৰোগে দেখা দিয়ে। ডাঃ ডেকাই লগতে কয় যে, সজাগতা আৰু মাজে-সময়ে পৰীক্ষা-নিৰীক্ষাৰ যোগেদি কৰ্কট ৰোগক প্ৰতিৰোধ কৰিব পাৰি। অনুষ্ঠানৰ অন্তত শাখাটোৰ মহিলা গ্ৰাহকসকলৰ মাজত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰো অনুষ্ঠিত হয়। শিবিৰত শতাধিক মহিলাই ৰোগ পৰীক্ষা কৰোৱায়। ইয়াৰ পূৰ্বে ভাৰতীয় ষ্টেট বেংকৰ এ চি বি ডুমডুমা শাখাৰ মুখ্য প্ৰৱন্ধক শ্যাম ছেত্ৰীয়ে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। কাৰ্যসূচীত শাখাৰ বিষয়া-কৰ্মচাৰীসকলে সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় মুখ্য প্ৰৱন্ধক শ্যাম ছেত্ৰীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বিশিষ্ট শিল্পী, সমাজ সংগঠক, সুদক্ষ অভিনেতা কিৰণ হাজৰিকাৰ আকস্মিক বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ৭ মাৰ্চঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ নতুন ভোগবাৰী সত্ৰ নিবাসী বিশিষ্ট শিল্পী, সমাজ সংগঠক, স্বাস্থ্য বিভাগৰ অৱসৰী কৰ্মচাৰী তথা একালৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ সুদক্ষ অভিনেতা কিৰণ হাজৰিকাৰ আকস্মিক বিয়োগে সমগ্ৰ অঞ্চলবাসীক শোকস্তব্ধ কৰি তোলাৰ লগতে নগাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰখনতো গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, কালি দিনটো সামাজিক কাম-কাজত ব্যস্ত থকা অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ হাজৰিকাই নিশা প্ৰায় ৯ মান বজাত হঠাৎ এটা কাঁহ অহাৰ অছিলা লৈ শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰে আৰু ক্ষন্তেকতে অচেতন হৈ পৰাত তেওঁক ততাতৈয়াকৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৭ বছৰ। সোনাই নৈৰ পাৰৰ নাট-ভাওনাৰে ৰজনজনাই থকা এক সত্ৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হোৱা হাজৰিকাই নব্বৈৰ দশকত ভ্ৰাম্যমাণ থিয়েটাৰ 'সুৰদেৱী থিয়েটাৰ'ত অভিনেতাৰূপে যোগদান কৰি কেইবছৰ মান ভ্ৰাম্যমাণ থিয়েটাৰত কটাই ঘৰতে উভতি আহি স্বাস্থ্য-প্ৰশিক্ষক ৰূপে চৰকাৰী চাকৰিত যোগদান কৰে। চাকৰিৰ ব্যস্ততাৰ সমান্তৰালভাৱে তেওঁ সাংস্কৃতিক ক্ষেত্ৰখনত সমানে জড়িত হৈ পৰি এগৰাকী দক্ষ অভিনেতা, গীতিকাৰ আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। দূৰদৰ্শনৰ লগতে তেওঁ 'বেহাৰবাৰী আউট পোষ্ট'ৰ দৰে জনপ্ৰিয় চিৰিয়েলতো অভিনয় কৰিছিল। তেওঁ পুৰুষ শিল্পীৰ অভিনয়েৰে ৰাসলীলাৰ এখন ভিচিডি নিৰ্মাণ কৰি ৰাইজৰ প্ৰশংসা বুটলিছিল। নগাঁও সংগীত শিল্পী মঞ্চ, ৰাইদঙীয়া কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপন সমিতি, ৰাইদঙীয়া শংকৰদেৱ শিশু নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদককে আদি কৰি বৃহত্তৰ ৰাইদঙীয়া অঞ্চলৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা হাজৰিকাই সমাজ জীৱনলৈ গভীৰ নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই আহিছিল। সৎ, অমায়িক আৰু নতুন প্ৰজন্মক সদায় উৎসাহ প্ৰদান কৰা ব্যক্তি হিচাপে নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ সকলোৰে প্ৰিয় এইগৰাকী সৰবৰহী প্ৰবীণ শিল্পীৰ আকস্মিক মৃত্যুত জিলাখনৰ সাংস্কৃতিক মহলৰ লগতে ৰাইদঙীয়া, চকলাঘাট, বটদ্ৰৱা, জাজৰি আদি অঞ্চলত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। ইফালে, আজি পুৱা তেওঁৰ বাসগৃহত ৰাইদঙীয়া শিশু বিদ্যা নিকেতন, জাগৰণ গোষ্ঠী, সোনাই নদী উত্তৰ আঞ্চলিক সৌৰভ শাখা সাহিত্য সভা, বিকাশ, ৰাইদঙীয়া কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপন সমিতি, নতুন ভোগবাৰী সত্ৰকে ধৰি বিভিন্ন অনুষ্ঠানৰ কৰ্মকৰ্তা আৰু অনেক গুণমুগ্ধ সমবেত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ মৃত্যুত স্থানীয় বিধায়ক ৰূপক শৰ্মাই শোক প্ৰকাশ কৰি 'নগাঁৱৰ সমাজ জীৱন আৰু সাংস্কৃতিক পথাৰখনৰ বাবে এক অপূৰণীয় ক্ষতি' বুলি মত ব্যক্ত কৰাৰ বিপৰীতে বৃহত্তৰ হাতীচোং মৌজাৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত বহু গুণধাৰী হাজৰিকাই পত্নী অনাতাঁৰ শিল্পী দিপালী বৰা হাজৰিকা, দুই পুত্ৰ নূপুৰ আৰু জুনুকাসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# সোণাৰিত পইণ্ট থ্ৰী টু পিষ্টলসহ ধৃত ২৪ বৰ্ষীয় যুৱক

**ই-সংবাদ, সোণাৰি, ৭ মাৰ্চঃ** চৰাইদেউ জিলাত অপৰাধ নিৰ্মূলৰ বাবে কঠোৰ হৈছে চৰাইদেউ আৰক্ষী। সমাজত আইন-শৃংখলাজনিত কোনো অপৰাধীয়ে যাতে পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে চৰাইদেউ আৰক্ষীয়ে গ্ৰহণ কৰিছে কেতবোৰ পদক্ষেপ। জিলাখনত সময়ে সময়ে বিভিন্ন অভিযান চলাই ইতিমধ্যে বহু অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে চৰাইদেউ আৰক্ষী। এই সন্দৰ্ভত চৰাইদেউ জিলা আৰক্ষী অধীক্ষক সুৱজিৎ সিং পানেছৰে জানিবলৈ দিয়া অনুসৰি সামাজিক বাতাবৰণ বিনষ্ট কৰিব বিচৰা প্ৰতিটো অপৰাধীৰ বিৰুদ্ধেই কঠোৰ হ'ব আৰক্ষী। ইয়াৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ঠাইৰ লগতে বিশেষকৈ সীমান্তৱৰ্তী অঞ্চলত আৰক্ষীয়ে টহল দিয়া আৰম্ভ কৰিছে। ইফালে, অপৰাধীৰ বিৰুদ্ধে অভিযান চলাই আজি মাৰণাস্ত্ৰসহ এজন যুৱক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। আটকাধীন যুৱকজনৰ নাম বিকাশ কাণু (২৪)। বৰহাট আৰক্ষী থানাৰ অন্তৰ্গত মুক্তাবাৰী চাহ বাগিচাৰ বাসিন্দা বিকাশ কাণু। পইণ্ট থ্ৰী টু পিষ্টলসহ আটক কৰা যুৱকজন বিভিন্ন কামৰ সৈতে জড়িত।

# নৰককুণ্ডলৈ পৰ্যবসিত উত্তৰ গুৱাহাটীৰ বাট-পথ



AI Generated Image

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৭ মাৰ্চঃ** তথাকথিত উন্নয়নৰ ধামখুমীয়াত নৰক যন্ত্ৰণা ভুগিবলগীয়া হৈছে বৃহত্তৰ উত্তৰ গুৱাহাটীৰ ৰাইজে। এনেয়ে ফাগুনৰ ধূলিয়ৰি পৰিৱেশ, তাতে আকৌ গেলাতে টেঙা হৈ পৰিছে উত্তৰ গুৱাহাটীৰ পথসমূহ। সম্প্ৰতি নিৰ্মাণ কাৰ্য চলি থকা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখনৰ সংলগ্ন পথছোৱাৰ বাবে প্ৰয়োজন হোৱা এক বৃহৎ পৰিমাণৰ বালি-মাটি উত্তৰ গুৱাহাটীৰ সমীপৱৰ্তী ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা প্ৰায় তিনিশৰো অধিক ডাম্পাৰে দীৰ্ঘদিন ধৰি কঢ়িয়াই আনি দলঙৰ নিৰ্মাণ স্থলীত পেলাই আহিছে। কোৱা বাহুল্য যে এই ডাম্পাৰসমূহ চলে জনবসতি এলেকাৰ মাজৰ পথসমূহেৰে। প্ৰয়োজনতকৈ অধিক মাটি কঢ়িয়াই অনা ডাম্পাৰসমূহে তীব্ৰ গতিত অহা-যোৱা কৰাৰ ফলত পথসমূহ জৰাজীৰ্ণ হোৱাৰ লগতে অতিৰিক্ত বালি-মাটিবোৰ পথত পৰে। ইয়াৰ ফলত পথসমূহ ধূলিৰ ডাঠ আৱৰণেৰে ঢাক খাই পৰিছে আৰু গাড়ী-মটৰৰ চলাচলৰ বাবে সমগ্ৰ পথ ধূলিময় হৈ ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। দলং নিৰ্মাণৰ দায়িত্বত থকা এইচ পি শিংলা কম্পেনীৰ ফালৰ পৰা দিনটোত দুবাৰ পথত পানী মাৰে যদিও পথৰ ওপৰৰ মাটিবোৰ পৰিষ্কাৰ নকৰাকৈ পানী মৰাৰ ফলত ঠায়ে ঠায়ে কঠীয়া ৰুব পৰা বোকাৰ সৃষ্টি হৈছে। এই বোকাময় পথত বাইক-স্কুটি আদি বাহন প্ৰায়ে দুৰ্ঘটনাত পতিত হৈ বহুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্তও হৈছে। উল্লেখ্য যে দিন-ৰাতি একাকাৰ কৰি সম্পূৰ্ণ ২৪ ঘণ্টাই এই ডাম্পাৰসমূহে বালি-মাটি কঢ়িয়াই আহিছে। দলং নিৰ্মাণত নিয়োজিত ডাম্পাৰবোৰৰ বাহিৰেও কিছু সংখ্যক ডাম্পাৰ ব্যক্তিগত ঘৰ আদি নিৰ্মাণতো নিয়োজিত হৈ আছে। ডাম্পাৰবোৰৰ এই দৌৰাত্ম্যত উত্তৰ গুৱাহাটীৰ মূল পথ এ আৰ বি ৰোডৰ বাহিৰেও এই মূল পথ সংযোগী বাকী পথসমূহতো ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি হৈ অৱস্থা তথৈবচ হৈ পৰিছে। আজিৰ তাৰিখত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন উত্তৰ গুৱাহাটীবাসীৰ বাবে বহু আশাৰ থল যদিও ইয়াৰ বাবে ৰাইজে প্ৰদূষণময় এক নৰক সদৃশ পৰিৱেশৰ লগত সহাৱস্থান কৰিবলৈ বাধ্য হৈ পৰিছে। বাৰিষাকালি কৃত্ৰিম বানপানীত ককবকাই থাকি উত্তৰ গুৱাহাটীৰ একাংশ বাসিন্দাই খৰাং দিনকেইটাত অলপ শান্তিৰে পাৰ কৰিম বুলি ভাবিছিল যদিও এয়া এক মৰীচিকা বুলি এতিয়া মানি ল'বলৈ বাধ্য হৈছে।সমালোচনাৰ সন্মুখীন হৈছে বন বিভাগ। বিভাগটোৱে কি যুক্তিত নিমাখিত কুকুৰ পোৱালি ব্যৱহাৰ কৰিলে বুলি ভিন্নজনে প্ৰশ্ন কৰিছে।

# চৰাইদেউৰ সোণাৰিত সক্ৰিয় আন্তঃৰাজ্যিক গাড়ী চোৰৰ চক্ৰ

**ই-সংবাদ, সোণাৰি, ৭ মাৰ্চঃ** গাড়ীৰ মালিকসকল সাৱধান হওক! পৰিবহণ মন্ত্ৰীৰ গৃহ জিলাত বৃদ্ধি পাইছে আন্তঃৰাজ্যিক গাড়ী চোৰৰ সন্ত্ৰাস। উজনি অসমৰ বিভিন্ন ঠাইৰ লগতে চৰাইদেউত টিঘিলঘিলাই ফুৰিছে গাড়ী চোৰ। তিতাবৰৰ জনৈক পংকজ বৰুৱাৰ নেতৃত্বত গাড়ী চোৰৰ দল এটাই হস্তগত কৰিব পাৰে আপোনাৰ মৰমৰ গাড়ীখন। এই দলটোৱে সোণাৰিৰ কল্পজ্যোতি গগৈৰ মধ্যস্থতাত কৌশলেৰে দহখনৰো অধিক গাড়ী ভাড়ালৈ নি বিক্ৰী কৰিলে অৰুণাচল প্ৰদেশত। চৰাইদেউ জিলাৰ সদৰ সোণাৰিৰ লগতে বিভিন্ন ঠাইৰপৰা শেহতীয়াকৈ কেইবাখনো বাইক চোৰ হোৱাৰ সমান্তৰালকৈ কেইবাখনো বিলাসী বাহন চোৰ হোৱাৰ পাছতেই আজি চৰাইদেউ জিলা গাড়ী গাড়ী চালক আৰু মালিক সন্থাই এক সংবাদ মেলৰ জৰিয়তে উত্থাপন কৰিছে এই গুৰুত্বপূৰ্ণ অভিযোগ। সংবাদমেলৰ জৰিয়তে উত্থাপন কৰা অভিযোগ অনুসৰি এই ঘটনাৰ মাষ্টাৰ মাইণ্ড পংকজ বৰুৱাই চাৰিচকীয়া বাহনৰ গৰাকীৰ পৰা এমাহৰ অগ্ৰিম ধন ভাড়া হিচাপে দি গাড়ী ভাড়াত লৈ যোৱাৰ পাছত বহিঃ ৰাজ্যত বিক্ৰী কৰি আহিছে দীৰ্ঘদিন ধৰি। এই কাৰ্যত মধ্যস্থতাকাৰীৰ ৰূপত গাড়ী চোৰৰ দলটোক সহযোগ কৰি আহিছে সোণাৰি বৰাহী চাৰিআলিৰ কল্পজ্যোতি গগৈ নামৰ এজন যুৱক। জানিব পৰা মতে, এই দলটোৱে বিভিন্ন কোম্পানীৰ গাড়ীসমূহ চলোৱা হ'ব বুলি কোৱাৰ লগতে গৰাকীক পতিয়ন নিয়াবলৈ গাড়ীখন ভাড়াত লোৱা প্ৰক্ৰিয়া সন্দৰ্ভত ভিডিঅ' প্ৰস্তুত কৰি লয়। পৰৱৰ্তী সময়ত ভিডিঅ'টো গৰাকী আৰু সাক্ষীস্বৰূপ মধ্যস্থতাকাৰীৰ ওচৰত মজুত ৰাখে। কিন্তু গাড়ীসমূহ লৈ যোৱাৰ পাছত গাড়ীত সংস্থাপিত জিপিএছ আঁতৰাই দিয়ে আৰু এমাহৰ ভিতৰতে চল-চাতুৰিৰে অৰুণাচল প্ৰদেশত পঞ্জীয়ন কৰি লয়। এই ঘটনা সন্দৰ্ভত পোহৰলৈ অহাৰ পাছতে শংকিত হৈ পৰে ইতিমধ্যে গাড়ী ভাড়ালৈ দিয়া গৰাকীসকল। ইয়াৰ পৰিপ্ৰেক্ষিতত পংকজ বৰুৱাৰ লগত গাড়ীৰ গৰাকীয়ে যোগাযোগ কৰিলে গা-এৰা দিয়ে নাইবা ভাবুকিহে প্ৰদান কৰে। এই কথাতে ক্ষুণ্ণ হৈ গাড়ীৰ গৰাকীয়ে সোণাৰি আৰক্ষীক এজাহাৰ দাখিল কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় যদিও আৰক্ষীয়ে সবল ভূমিকা পালন কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, এই ঘটনাৰ প্ৰমাণ হিচাপে গাড়ী ভাড়ালৈ লোৱা সময়ত প্ৰস্তুত কৰা ভিডিঅ' আৰক্ষীক জমা দিয়াৰ পাছতো আৰক্ষীয়ে এই গাড়ীসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম নোহোৱাত অসহায় হৈ পৰিছে গাড়ীৰ মালিকসকল। উল্লেখ্য যে, চৰাইদেউ জিলাৰ পৰা গাড়ী চোৰ চক্ৰৰ মাষ্টাৰমাইণ্ড পংকজ বৰুৱাৰ নেতৃত্বত এনেদৰে ভাড়ালৈ নিয়া গাড়ীৰ নম্বৰসমূহ হ'ল AS-04 CC-0329, AS-33 C-1977, AS-33 C-1576, AS-33 C-1842, AS-06 P-0918। আনহাতে, AS-33 C-1887 নম্বৰৰ গাড়ীখন ইতিমধ্যে অৰুণাচলৰ আলঙত উদ্ধাৰ কৰিছে আৰক্ষীয়ে। ইফালে, জিপিএছ সংস্থাপিত গাড়ীসমূহৰ লোকেচন পোৱা গৈছে যদিয়ো গাড়ীসমূহ উদ্ধাৰ কৰাত ব্যৰ্থ হৈছে অসম আৰক্ষী। যাৰ ফলত সোণাৰিৰ গাড়ী মালিকৰ পৰা ভাড়ালৈ নিয়াৰ পাছত অৰুণাচল প্ৰদেশৰ বিভিন্ন প্ৰান্তত এনেদৰে বিক্ৰী কৰা গাড়ীসমূহ উদ্ধাৰ কৰাৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে ৰাজ্যৰ আৰক্ষী অধীক্ষকক।

# চামগুৰিত গৰু চুৰিৰ সন্দেহত বিলাসী গাড়ী ভাঙি লণ্ডভণ্ড

**ই-সংবাদ, পুৰণিগুদাম, ৭ মাৰ্চঃ** এখন বিলাসী গাড়ীত দীৰ্ঘদিন ধৰি গৰু চুৰি কৰি সৰবৰাহ কৰি অহাৰ অভিযোগত আজি নগাঁও জিলাৰ চামগুৰিৰ ভাটিয়াখালি অঞ্চলত একাংশ লোকে বিলাসী গাড়ীখন জব্দ কৰি ভাঙি লণ্ডভণ্ড কৰাৰ লগতে এক উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰে। জানিব পৰা মতে, এ এছ-১২ ৰাই-২৩৬১ নম্বৰ বলেনো' গাড়ীখনত দীৰ্ঘদিন ধৰি চুৰি গৰু সৰবৰাহ কৰি আহিছিল বুলি একাংশ স্থানীয় লোকে সন্দেহ কৰে। ভাটিয়াখালি আৰু ১ নং ভাটিয়াখালি অঞ্চলৰ লগতে বিভিন্ন ঠাইত উক্ত গাড়ীখনত এটা গৰু চুৰি দল আহি গৰু চোৰ কৰে বুলি  অভিযোগ উঠিছে। উল্লেখ্য যে কেইদিনমান পূৰ্বে এজন লোকৰ ঘৰৰ পৰা উক্ত গাড়ীখনত দুজনী গৰু চুৰি কৰি নিছিল বুলি অভিযোগ উঠিছে। সেইসময়ত উক্ত গাড়ীখন জব্দ কৰিবলৈ পৰিয়ালৰ লোকে গাড়ীখনৰ পিছে পিছে খেদি গৈছিল যদিও উক্ত গাড়ীখন জব্দ কৰিবলৈ সক্ষম নহ'ল বুলি অভিযোগ কৰিছে। আজি বিয়লি একাংশ স্থানীয় লোকে উক্ত গাড়ীখন প্ৰত্যেক্ষ কৰি ৰখাবলৈ চেষ্টা কৰে। সেই সময়তে উক্ত গাড়ীখন এৰি চালকজনে পলায়ন কৰে বুলি স্থানীয় একাংশ লোকে জানিবলৈ দিয়ে। পৰৱৰ্তী সময়ত উক্ত গাড়ীখন স্থানীয় লোকে গৰু চুৰি কাৰ্যত ব্যৱহাৰ কৰাৰ অভিযোগত ভাঙি লণ্ডভণ্ড কৰে বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আমবাগান আৰক্ষী চকীৰ এটা আৰক্ষী দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে উক্ত গাড়ীখন জব্দ কৰে বুলি জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

# চেঙাৰ নছিব আলী একাডেমিত প্ৰতিভা সন্ধানী পৰীক্ষা সম্পন্ন

**ই-সংবাদ, নগৰবেৰা, ৭ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা শিক্ষা খণ্ডৰ দক্ষিণ প্ৰান্তৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নছিব আলী একাডেমিত আজি এক প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত হৈ যায়। বিভিন্ন প্ৰান্তৰ পৰা অহা ৮ খন বিদ্যালয়ৰ মুঠ ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হোৱা প্ৰতিভা সন্ধানী পৰীক্ষাত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সৰ্বাধিক নম্বৰ লাভ কৰে। উল্লেখ্য যে ১০০ নম্বৰৰ উক্ত পৰীক্ষাত খোলাবান্ধা হাইস্কুলৰ ছাত্ৰী উম্মে ছালমাই ১০০ নম্বৰৰ ভিতৰত ৮৬ নম্বৰ লাভ কৰি প্ৰথম স্থান, নছিব আলী একাডেমীৰ ছাত্ৰ মুছা আলাইহি ছালামে ৮২ নম্বৰ লাভ কৰি দ্বিতীয় স্থান আৰু সোণতলীৰ বন্দেছ আলী একাডেমিৰ ছাত্ৰ ছাহিল ইমৰানে ৭৮ নম্বৰ লাভ কৰি তৃতীয় স্থান লাভ কৰে। পৰীক্ষাৰ অন্তত অনুষ্ঠুপীয়াকৈ এখন বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। নছিব আলী একাডেমীৰ অধ্যক্ষ আব্দুল মজিদ মণ্ডলৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ অন্তত কাছুমাৰা অসম গ্ৰামীণ বিকাশ বেংকৰ বেংক মিত্ৰ আব্দুল গফুৰ মোল্লা, দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ সভাপতি নবীৰ হুছেইন মোল্লা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আলহাজ চান্দ আলী আহমেদৰ লগতে কেবাজন বিশিষ্ট ব্যক্তিয়ে মূল্যৱান ভাষণ প্ৰদান কৰে। সভাত পৰিচালন সঞ্চালক চুলতান মামুদে স্থানপ্ৰাপ্তসকলৰ লগতে সকলো উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ মাজত পুৰস্কাৰ বিতৰণ কৰে। বিদ্যালয়খনত অসমীয়া আৰু ইংৰাজী মাধ্যম দুয়োটা বিভাগৰ লগতে বিজ্ঞান শাখাৰ পাঠদানৰ ব্যৱস্থা আছে। তদুপৰি দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ৰেহাই আছে বুলিও সঞ্চালক প্ৰধানে জানিবলৈ দিয়ে।

# নলবাৰীত জন ঔষধি দিৱস পালন আৰু স্বচ্ছতা অভিযানৰ শুভাৰম্ভ

**ই-সংবাদ , নলবাৰী, ৭ মাৰ্চঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত আজি জন ঔষধি দিৱস পালন কৰা হয়। জেনেৰিক ঔষধৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপ যথেষ্ট আদৰণীয় বুলি বিবেচিত হৈছে। আজি নলবাৰীৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কৈলাস ডেকা, ঔষধ পৰিদৰ্শক মুস্তাকিম আনচাৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ জিলা আঁচনি বিষয়া মিনাক্ষী বৰপূজাৰী, জিলা মিডিয়া বিশেষজ্ঞ পলাশ জ্যোতি বৰা, গুণগত মান নিৰূপক পৰামৰ্শদাতা বিকাশ ৰঞ্জন দত্ত সমন্বিতে জিলা পৰ্যায়ৰ এটা দলে বিহামপুৰস্থিত জন ঔষধি কেন্দ্ৰটো পৰিদৰ্শন কৰে। জেনেৰিক ঔষধৰ গ্ৰহণযোগ্যতা বৃদ্ধিৰ ক্ষেত্ৰত জনসজাগতাৰ প্ৰয়োজন বুলি উপস্থিত সকলোৱে দোহাৰে। জন ঔষধি দিৱস উপলক্ষে জিলাখনৰ সকলো চিকিৎসালয়ত সজাগতা সভা অনুষ্ঠিত হয়। তদুপৰি জিলাখনৰ সকলো চিকিৎসালয়ত আজিৰে পৰা ১৪ মাৰ্চলৈ স্বচ্ছতা অভিযান আৰম্ভ কৰা হৈছে। এই অভিযানৰ যোগেদি




জিলাখনৰ সকলো চিকিৎসালয় চৌহদত পৰি থকা আৱৰ্জনা বা অপ্ৰয়োজনীয় সামগ্ৰীসমূহ এক নিৰ্দিষ্ট স্থানত ৰখাৰ ব্যৱস্থা কৰা, স্বচ্ছতা কাৰ্যসূচীৰ পিছত চিকিৎসালয় চৌহদত পৰি ৰোৱা আৱৰ্জনা তথা চিকিৎসা কাৰ্যত ব্যৱহাৰৰ পিছত অব্যৱহাৰ্য সামগ্ৰীসমূহ জিলা নিষ্কাশন সমিতিৰ দ্বাৰা নিষ্কাশনৰ ব্যৱস্থা কৰা, প্ৰতিখন চিকিৎসালয় পৰিষ্কাৰ পৰিচ্ছন্ন তথা বীজাণুমুক্ত কৰি ৰখাৰ ব্যৱস্থা কৰা ইত্যাদি পদক্ষেপ গ্ৰহণ কৰা হৈছে।




গোলকগঞ্জ থানাৰ অন্তৰ্গত নান্দিনীপাৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নথি-পত্ৰ বিহীন ট্ৰেক্টৰ জব্দ, শুকুৰবাৰে

# নথি-পত্ৰ বিহীন ট্ৰেক্টৰ জব্দ কৰাৰ ক্ষেত্ৰত স্বজনতোষণৰ অভিযোগ পৰিবহণ বিভাগৰ বিৰুদ্ধে

**ই-সংবাদ, গোলকগঞ্জ, ৭ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত নান্দিনীপাৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সাত বজাত পৰিবহণ বিভাগৰ বিষয়াই দুখন ট্ৰেক্টৰ জব্দ কৰি এখন এৰি দিয়া ঘটনাই গোলকগঞ্জ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, জনৈক শ্ৰৱণী আৰু বৈশ্য উপাধিৰ দুই পৰিবহণ বিভাগৰ বিষয়াৰ নেতৃত্বত এটা দলে পুৱা অভিযান চলাই নথি-পত্ৰৰ বিসংগতি থকা দুখন ট্ৰেক্টৰ নান্দিনীপাৰত জব্দ কৰে। বাহন দুখন গোলকগঞ্জ থানালৈ নিয়াৰ সময়ত ফাৰ্ম গেটৰ সন্মুখত নান্দিনীপাৰৰ এটা ইটা ভাটাৰ মালিকে বিভাগীয় বিষয়াৰ দলটোক সাক্ষাৎ কৰে। ইটা ভাটাৰ মালিকৰ লগত আলোচনাৰ পিছতে বিষয়া দুজনে তেওঁৰ বাহনখন কোনোধৰণৰ জৰিমনা নকৰি এৰি দিয়াৰ বিপৰীতে AS-17 C-1525 নম্বৰৰ ট্ৰেক্টৰখন থানাত হস্তান্তৰ কৰে। ট্ৰেক্টৰখনক পৰিবহণ বিভাগে বাইশ হাজাৰ টকাৰ জৰিমনা বিহে। কিন্তু পৰিবহণ বিভাগৰ বিষয়াই স্বজন-তোষণ নীতিৰে কোনোবাখনক ধৰি এৰি দি কোনোবাখনক জৰিমনা বিহা ঘটনাৰ বিৰুদ্ধে ৰাইজে ক্ষোভ প্ৰকাশ কৰি ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনায়। উল্লেখ্য যে ইটা ভাটাসমূহৰ বাবেই নথি-পত্ৰ বিহীন ট্ৰেক্টৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। ইয়াৰ ফলত দুৰ্ঘটনাও সংঘটিত হৈ আছে। যাৰ বাবে ৰাইজে ট্ৰেক্টৰক নাকি লগোৱাৰ বাবে বাৰে দাবী জনাই আহিছে। কিন্তু নাকি লগোৱা দূৰৈৰ কথা ইয়াতো স্বজন-তোষণ চলাৰ অভিযোগ উত্থাপিত হৈছে। একাংশক ধৰি জৰিমনা বিহাৰ পৰিবৰ্তে একাংশৰ ক্ষেত্ৰত বুজাবুজি চলিছে। মুঠতে একাংশ নথি-পত্ৰ বিহীন ট্ৰেক্টৰ খিৰতী গাইত পৰিণত হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মাজুলীৰ মালাপিন্ধাত পঃৰাগ উৎসৱত লোকাৰণ্য

**ই-সংবাদ, নামনি মাজুলী, ৭ মাৰ্চঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ মালাপিন্ধা মিচিং গাঁৱত কালিৰেপৰা আৰম্ভ হোৱা পঃৰাগ উৎসৱ আজি লোকাৰণ্য হৈ পৰে। এক বৃহৎ উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত হোৱা উক্ত পঃৰাগ উৎসৱত আজি অসমৰ বিভিন্ন প্ৰান্তৰপৰা অহা হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে। চতুৰ্থ বৰ্ষৰ বাবে মালাপিন্ধা মিচিং গাঁৱত আয়োজিত দয়াৰাম দলে ক্ষেত্ৰত অনুষ্ঠিত হোৱা উক্ত পৰম্পৰাগত পঃৰাগ উৎসৱত মালাপিন্ধা মিচিং অঞ্চলৰ ভূমিপুত্ৰ মিচিং জনগোষ্ঠীৰ অসমৰ বিভিন্ন প্ৰান্তৰপৰা আহি বয়োবৃদ্ধ, জীয়ৰী- বোৱাৰী, ডেকা-গাভৰু সকলোৱে মহামিলন ঘটিছে। পঃৰাগ উৎসৱৰ আজি দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণৰ পাছত সামূহিক প্ৰাৰ্থনা কৰা হয়। আজি পুৱা ৭.৩০ বজাত গুমৰাগ নৃত্যৰে পৰম্পৰা অনুসৰি এগ মান্নাম অৰ্থাৎ গাহৰি নিধন কৰি মিচিং জনগোষ্ঠীৰ উপাস্য দেৱতা চন্দ্ৰ-সূৰ্যক উপাসনা কৰা হয় আৰু তাৰপিছত সকলো পৰম্পৰা আৰু লোকনীতি ৰক্ষা কৰি এক গাম্ভীৰ্যপূৰ্ণ মাংগলিক পৰিৱেশত উক্ত এগ মান্নাম সম্পন্ন কৰা হয়। আজি পুৱা ১০ বজাৰপৰা পৰাগ উৎসৱৰ মুকলি মঞ্চত বিভিন্ন লোককৃষ্টি প্ৰদৰ্শন কৰা হয়। স্থানীয় মালাপিন্ধা কৃষ্টি দলে শুভাৰম্ভ কৰা উক্ত কৃষ্টি প্ৰদৰ্শন অনুষ্ঠানত জেংৰাইমুখ কুমাৰবাৰীৰ সাংস্কৃতিক দল আৰু মিছামৰাৰ সাংস্কৃতিক দলে বিভিন্ন লোককৃষ্টি প্ৰদৰ্শন কৰে। হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত দীৰ্ঘসময় সাংস্কৃতিক দলসমূহে মিচিং লোকনৃত্য প্ৰদৰ্শন কৰি সকলোকে অভিভূত কৰি তোলে। তাৰপিছত নিমন্ত্ৰিত অতিথিৰ আদৰণী অনুষ্ঠান অনুষ্ঠিত হয়। বৃহত্তৰ মালাপিন্ধা মহিলাসকলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত মিচিং বানে কেবাঙৰ উপ-সভাপতি ৰঞ্জিত দলে, শিৱসাগৰ জিলাৰ শ্ৰম পৰিদৰ্শক প্ৰসন্ন টায়ুং, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিজয় কুমাৰ পেগু, খগেন হাজৰিকা, ৰামকৃষ্ণ পেগু, মাজুলীৰ ৰাজহ চক্ৰৰ বিষয়া ৰাহুল পেগু, উজনি মাজুলীৰ চক্ৰ বিষয়া কমল জ্যোতি বৰা, সামূহিক স্বাস্থ্য বিষয়া ফনীকান্ত ভূঞা, মিচিং স্বায়ত্বশাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্যা ৰঞ্জনা দলে, কমল মিলি, মালাপিন্ধা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনন্দ কমান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী সুমিত্ৰা পাটিৰ, কান্তৰাম পেগু, সমাজকৰ্মী মহেন্দ্ৰ দলে, উদযাপন সমিতিৰ সভাপতি ভদ্ৰ দলে, সম্পাদক নীলমণি পাটিৰ, উদযাপন সমিতিৰ বলীন চন্দ্ৰ পেগু, তৰুণ কমান, চেলেক বিবেকানন্দ বিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত পেগু, ডিফু স্বায়ত্বশাসিত পৰিষদ বিশ্ববিদ্যালয়ৰ অধ্যাপক হিৰণ্য দলে, দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী সুনীয়া কমান, জ্যেষ্ঠ নাগৰিক মদন দলে, সাংবাদিক মিটু খাটনিয়াৰ, হিতেশ দলে আদিয়ে মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে ডিফু চৰকাৰী মহাবিদ্যালয়ৰ অধ্যাপক হীৰাকান্ত পেগুৱে। বিয়লি প্ৰীতিভোজৰ পাছত আমন্ত্ৰিত কৃষ্টি দলক আনুষ্ঠানিকভাৱে বিদায় জনোৱা হয়। সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে পূব দিক্ৰং মহাবিদ্যালয়ৰ অধ্যাপক কমল মিলিয়ে। সেইদিনা সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী অৱনী মিলি, অভিনৱ দলে আৰু অৎচুৰ পেগুৱে গীত পৰিৱেশন কৰে। পঃৰাগ উৎসৱ উপলক্ষে কাইলৈ ৮ মাৰ্চত পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গাঁৱৰ জী-জোঁৱাইসকলৰ কৃষ্টি প্ৰদৰ্শন, প্ৰীতিভোজ, জী-জোঁৱাইৰ বিদায় পৰ্ব, আমন্ত্ৰিত জ্ঞাতি দলৰ বিদায় পৰ্ব আৰু সন্ধিয়ালৈ স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। ৯ মাৰ্চত পুৱা পৰিৱেশ নিকাকৰণ, গাঁৱৰ বোৱাৰীসকলৰ দ্বাৰা চংমান-য়িৰমান প্ৰদৰ্শন, গাঁৱৰ মুখিয়াল, বুঢ়া-বুঢ়ী আৰু বোৱাৰীসকলৰ প্ৰীতিভোজ আৰু সন্ধিয়ালৈ স্থানীয় শিল্পীসকলৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন হ'ব। পঃৰাগ উৎসৱৰ শেষৰ দিনা অৰ্থাৎ ১০ মাৰ্চত পৰিৱেশ নিকাকৰণ, গাঁৱৰ ডেকা-গাভৰুৰ প্ৰীতিভোজ আৰু ৰজাঘৰীয়া বিষয়ববীয়াসকলক আনুষ্ঠানিকভাৱে বিদায় জনোৱা হ'ব আৰু সাংস্কৃতিক শোভাযাত্ৰা কৰি উক্ত বিষয়ববীয়াসকলক নিজৰ নিজৰ ঘৰত থৈ আহিব। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে উৎসৱৰ সামৰণি পৰিব।

# তেলিয়াগাঁও প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি

**ই-সংবাদ, পুৰণিগুদাম, ৭ মাৰ্চঃ** নগাঁও জিলাৰ চামগুৰিৰ তেলিয়াগাঁও অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান তেলিয়াগাঁও প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী অহা ২ আৰু ৩ এপ্ৰিলত দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হ'ব। কাৰ্য্যসূচী অনুসৰি ২ এপ্ৰিলৰ পুৱা ৮ বজাত মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে দিনৰ ১১ বজাত গুৰু-শিষ্যৰ অন্তৰংগ আলাপ অনুষ্ঠান আৰু নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ৩ এপ্ৰিলত গছপুলি ৰোপন, পৰৱৰ্তী সময়ত চিত্ৰাংকণ প্ৰতিযোগিতা আৰু চিত্ৰশিল্পীৰ দ্বাৰা চিত্ৰ অংকন আদিকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে দিনৰ ১ বজাত এখন মুকলি সভা অনুষ্ঠিত হ'ব। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা মুকলি সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী মৃণালিনী দেৱীকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকিব। লগতে নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি তেলিয়াগাঁও প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি হিৰণ্য কুমাৰ গোস্বামী, কাৰ্যকৰী সভানেত্ৰী ৰীমা শইকীয়া আৰু যুটীয়া সম্পাদক ধীৰেণ কলিতা আৰু প্ৰীতিলতা শইকীয়াই জানিবলৈ দিয়ে।

# কামপুৰত চিকিৎসা শিবিৰ সম্পন্ন

**ই-সংবাদ, কামপুৰ, ৭ মাৰ্চঃ** সমগ্ৰ অসমতে স্বাস্থ্য বিভাগৰ উদ্যোগত ২০ ফেব্ৰুৱাৰীৰপৰা ৩১ মাৰ্চলৈ এন চি ডি ড্ৰাইভ চলি থকাৰ সমান্তৰাল কৈ নগাঁও জিলাৰ কামপুৰতো আজি কামপুৰ পুৰণা বজাৰত নগৰীয়া আয়ুস্মান আৰোগ্য মন্দিৰৰ উদ্যোগত এটি অসংক্ৰামক ৰোগ নিৰ্ণয়ৰ এটি বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। উক্ত শিবিৰত চিকিৎসক ডাঃ আনফাৰুল হ'ক ছিদ্দিকী আৰু অনান্য স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। আজি ১০০ ৰো অধিক ৰোগীৰ এন চি ডি স্ক্ৰীনিং কৰা হয়।

# অবৈধভাৱে বালি কঢ়িওৱা ডাম্পাৰ জব্দ পৰ্বতঝোৰা বন বিভাগৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ৭, মাৰ্চঃ** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত চুপাৰিঘাটত থকা বন বিভাগৰ বন সুৰক্ষা বাহিনীৰ দলে আজি পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এক গোপন তথ্যৰভিত্তিত অভিযান চলাই অবৈধভাৱে বন বিভাগক কৰ ফাঁকিৰে বালি কঢ়িওৱা এখন বালিভৰ্তি ডাম্পাৰ আৰু দুখন বলেৰ' পিকআপ ভেন জব্দ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আজি পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত সুপাৰিঘাটত থকা বন বিভাগৰ বন সুৰক্ষাৰ বাহিনীৰ বনকৰ্মীৰ দলে এক গোপন সূত্ৰৰ ভিত্তিত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চুপাৰীঘাটৰপৰা মণিপুৰলৈ নিয়মীয়া তালাচীৰ সময়ত অবৈধভাৱে বন বিভাগৰ বৈধ চালান নথকাকৈ পৰ্বতঝোৰাৰ বালি মহলৰপৰা বালি কঢ়িয়াই থকা অৱস্থাত এই তিনিখন বাহন জব্দ কৰিবলৈ সক্ষম হয়। পৰ্বতঝোৰা বন বিভাগৰ এই অভিযানত এ এছ-১৭-চি-৬৯৩৭ নম্বৰৰ ডাম্পাৰ, এছ-১৭-চি-৫৯৮৮ আৰু এ-এছ-১৭-চি-৩১৫৫ নম্বৰৰ বলেৰ' পিকআপ ভেন জব্দ কৰে। উল্লেখ্য যে পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত বিভিন্ন বালি মহলৰপৰা এবাৰ চালান কাটি কোনো নবীকৰণ নকৰাকৈ পুৰণি চালানেৰে অবৈধভাৱে বালি সৰবৰাহ কৰি আছিল বুলি বন বিভাগৰ অভিযানকাৰীৰ দলে জানিবলৈ দিয়ে। দীৰ্ঘদিনৰপৰা এনেধৰণৰ চালান ফাঁকিৰে কাক মেনেজ কৰি কেনেকৈ বালি সৰবৰাহ কৰি আহিছে তাকে লৈ সচেতন মহলত চৰ্চাৰ বিষয় হৈ পৰিছে। বন বিভাগৰ অভিযানকাৰীৰ দলে জব্দ কৰা বাহন তিনিখন বৰ্তমান চুপাৰিঘাটত থকা পৰ্বতঝোৰা বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্য্যালয়লৈ আনি তদন্ত অব্যাহত ৰাখিছে বুলি বন বিভাগৰ সূত্ৰৰপৰা জানিব পৰা গৈছে।

# অৱশেষত চাবুৱাত নাহৰফুটুকী পিঞ্জৰাৱদ্ধ



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৭ মাৰ্চঃ** যোৱানিশা চাবুৱাৰ নাদুৱা হাতীগাধৈত প্ৰকাণ্ড নাহৰফুটুকী বাঘ পিঞ্জৰাৱদ্ধ হয়। দীৰ্ঘদিন ধৰি অঞ্চলটোত কেইবাটাও নাহৰফুটুকী বাঘে পোহনীয়া গৰু, ছাগলী আদি ভক্ষণ কৰি বৃহত্তৰ নাদুৱা গাঁৱত এক প্ৰকাৰ সন্ত্ৰাস সৃষ্টি কৰি আহিছিল। নাহৰফুটুকীৰ সন্ত্ৰাসৰপৰা পৰিত্ৰাণ পাবলৈ গাঁওবাসীয়ে বন বিভাগৰ সহযোগত সংস্থাপিত কৰা পিঞ্জৰাত যোৱানিশা প্ৰকাণ্ড নাহৰফুটুকী বাঘটো পিঞ্জৰাৱদ্ধ হয়। বাঘটো পিঞ্জৰাৱদ্ধ হোৱা পাছতেই খবৰ ৰাজহুৱা হোৱা পাছতেই নাহৰফুটুকী চাবলৈ ভিৰ কৰিছে শতাধিক ৰাইজে। স্থানীয় ৰাইজৰ বন বিভাগক খবৰ দিয়াৰ পিছতে বন বিষয়া পিঞ্জৰাটো ৰখা স্থানলৈ যায়। ইয়াৰ পিছতে বাঘটো কোনোধৰণৰ ক্ষতি নোহোৱাকৈ সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়ে বুলি জানিব পৰা গৈছে।

# লোহাৰঘাটৰ উদীয়মান কবি, সমাজকৰ্মী প্ৰফুল্ল ৰাভাৰ বিয়োগ



**ই-সংবাদ, মিৰ্জা, ৭ মাৰ্চঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত লোহাৰঘাটৰ নোৱাপাৰা নিৱাসী কবি, সমাজকৰ্মী প্ৰফুল্ল ৰাভা (৩৬)ৰ যোৱানিশা বিয়োগ ঘটে। তেওঁ একেধাৰে দেউপানী বুঢ়াগোহাঁই আঞ্চলিক ৰাইজ গয়ৰহৰ সম্পাদক, চচ্ছলপাৰা আঞ্চলিক বিষ্ণু ৰাভা জনজাতীয় সংঘৰ সম্পাদক, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদকৰ পদত জড়িত হৈ অঞ্চলটোৰ ৰাইজৰ মাজত কাম কৰি আহিছিল। তেওঁ লগতে অঞ্চলটোত অনলাইন, বেংকৰ কাম-কাজতো জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত লোহাৰঘাট আঞ্চলিক যুৱ ক্লাব, সতপুৰ গাঁও পঞ্চায়ত, বৰদুৱাৰ গাঁও পঞ্চায়ত সমবায় সমিতি, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, জ্ঞানজ্যোতি জাতীয় বিদ্যালয়, বাগান, বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

এক শোকাকুল পৰিৱেশৰ মাজত তেওঁৰ নশ্বৰ দেহ আজি ৰাইজে চচ্ছলপাৰা আঞ্চলিক জনজাতীয় সংঘ আৰু দেউপানী বুঢ়াগোহাই আঞ্চলিক ৰাইজ গয়ৰহৰ প্ৰাংগণলৈ নিয়ে। তাত ৰাইজে তেওঁলৈ শেষশ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ দুই কণমাণি শিশুক এৰি যায়। সৰবৰহী যুৱকজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# কাৰ্বি আংলং জিলা আপকুৰ সভা সম্পন্ন

**ই-সংবাদ, হাওৰাঘাট, ৮ মাৰ্চঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন চমুকৈ আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা ডকমকাৰ ভেলৌঘাটৰ জলপ্ৰপাত পৰ্যটনস্থলিত যোৱা বৃহস্পতিবাৰে সফল সামৰণি পৰে। কাৰ্বি আংলং জিলা আপকুৰ সভাপতি ছামছিং ক্ৰ'ৰ সভাপতিত্বত পৃথকে পৃথকে সাধাৰণ সভা আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত কৰা দেখা যায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰীয়ে। ডিফু, বোকাজান, হাৱাইপুৰ, হাওৰাঘাট, লাংহিন, ফুলনি, টুম্প্ৰেং, ধেন্টাঘাট, চামেলাংছ' আদি বিভিন্ন ঠাইৰপৰা অহা বহু ন-পুৰণি সতীৰ্থ সাংবাদিকৰ উপস্থিতিত পৃথকে পৃথকে অনুষ্ঠিত হোৱা সাধাৰণ সভা আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভাত আপকু সংগঠনটো সুচাৰুৰূপে চলাই নিয়াৰ লগতে জিলাখনৰ সাংবাদিক তথা সামগ্ৰিক দিশত সকলোৰে উন্নয়ন স্বাৰ্থত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য প্ৰস্তাৱ ক্ৰমে-- প্ৰতি তিনি মাহৰ মূৰে মূৰে জিলা সমিতিখনৰ কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতি ছমাহৰ মূৰে মূৰে সাধাৰণ সভা অনুষ্ঠিত কৰা, আপকুৰ কাৰ্যালয় স্থাপনৰ বাবে মাটি বিচৰা, সভাপতি আৰু সম্পাদকৰ নামত অৰ্থাৎ সমিতিখনৰ নামত বেংক একাউণ্ট খোলা আৰু আপকুৰ জৰিয়তে বঁটা প্ৰদানৰ বাবে দাতা বিচৰা। আপকুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদকৰ নিৰ্দেশ অনুসৰি কাৰ্যকৰী সদস্য ৰাজু কাঠাৰক এক প্ৰস্তাৱৰ যোগেদি অব্যাহতি দিয়া হয়। তেওঁৰ ঠাইত সভাৰ সৰ্বসন্মতিক্ৰমে খয়াছিং তেৰাঙক কাৰ্যকৰী সদস্য হিচাপে নতুনকৈ অন্তৰ্ভুক্ত কৰা হয়। আনহাতে, এই সভাতেই আপকুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদকৰ অনুমোদন লাভ কৰাৰ পিছত কাৰ্বি আংলং জিলাৰ সম্পাদকলৈ প্ৰেৰণ কৰা সৰ্বমুঠ ২৬ খন পৰিচয়-পত্ৰ আনুষ্ঠানিকভাৱে সাংবাদিকসকলৰ মাজত বিতৰণ কৰা হয়।

# ডিব্ৰুগড়ত সপ্তম জনঔষধি দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ৭ মাৰ্চঃ** জিলা স্বাস্থ্য সমিতি, ডিব্ৰুগড়ৰ উদ্যোগত আজি চৌকিডিঙীস্থিত প্ৰধানমন্ত্ৰী ভাৰতীয় জন ঔষধি কেন্দ্ৰত সপ্তম জনঔষধি দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী ভাৰতীয় জন ঔষধি পৰিযোজনাৰ অধীনত স্থাপন হোৱা এই জন ঔষধি কেন্দ্ৰসমূহত সৰ্বসাধাৰণ ৰাইজে কম মূল্যত জেনেৰিক ঔষধ ক্ৰয় কৰিব পাৰে। জন ঔষধি কেন্দ্ৰত উপলব্ধ ঔষধৰ গুণগত মানদণ্ড বজাৰত উপলব্ধ আন ঔষধৰ দৰেই। এই কেন্দ্ৰসমূহত ডায়বেটিক, গেছ, উচ্চ ৰক্তচাপকে আদি কৰি প্ৰায় ১,৮০০ বিভিন্ন প্ৰকাৰৰ ঔষধ তথা চেনিটেৰী নেপকিন, মাস্কক আদি কৰি ২৮৫ টা চাৰ্জিকেল সামগ্ৰী উপলব্ধ হয়। এই অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) সংঘমিত্ৰা বৰুৱা, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ তৃষ্ণা বৰা, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তি, স্থানীয় ৰাইজ আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# আঁহতগুৰিত সাহিত্য দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, মৰিগাঁও, ৭ মাৰ্চঃ** সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱসটি ২৬ মাৰ্চত অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে বেজবৰুৱাৰ জন্মস্থান মৰিগাঁও জিলাৰ আঁহতগুৰিত অনুষ্ঠিত কৰিব। মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু আঁহতগুৰি শাখা সাহিত্য সভাৰ সহযোগত সাহিত্য দিৱসটি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। সাহিত্য দিৱসটি সৰ্বাংগসুন্দৰ আৰু সফল কৰি তোলাৰ উদ্দেশ্যে আজি আঁহতগুৰিৰ আঞ্চলিক শংকৰ গুৰু কীৰ্তন ঘৰত এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। আঁহতগুৰিত শতদল শাখা সাহিত্য সভাৰ সভাপতি অঞ্জলি দাসৰ সভাপতিত্বত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ সভাখনৰ আঁতধৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰাই। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে মহেন্দ্ৰ শইকীয়া, হৰেন্দ্ৰ বৰা, প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সাংগঠনিক সম্পাদক প্ৰাঞ্জল বৰা, কাৰ্যালয় সম্পাদক যশোৱন্ত নাথ, বাচনাঘাট শাখা সাহিত্য সভাৰ সভাপতি কৃষ্ণানন্দ নাথ, আঁহতগুৰি শতদল শাখা সাহিত্য সভাৰ বিষয়ববীয়া সত্যহাস দাস, প্ৰমোদ কুমাৰ দাস, উমেশ দাস, বিষ্ণুৰাম ডেকা প্ৰমুখ্যে বহুকেইজন ব্যক্তি উপস্থিত থাকে।

# মটেৰঝাৰত বন বিভাগৰ চকুৰ সন্মুখতে ব্যাপক হাৰত কৃষিভূমি খনন

**ই-সংবাদ, গোলকগঞ্জ, ৭ মাৰ্চঃ** ধুবুৰী বন সংমণ্ডল কাৰ্যালয়ৰ অধীনৰ মটেৰঝাৰ বন বিভাগৰ ছত্ৰছায়াত লটকা গাঁৱত মাটিৰ ছিণ্ডিকেট চক্ৰই ইটাভাটাত কৃষি ভূমিৰ মাটি যোগান ধৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, বালাজানত প্ৰশাসনৰ জ্ঞাতসাৰে কাঠফুলাৰ দৰে গজি উঠিছে অবৈধ ইটাভাটা। ভাটাসমূহত ইটা তৈয়াৰ কৰিবলৈ মাটি যোগান ধৰিবলৈ সক্ৰিয় হৈ উঠিছে মাটিৰ ছিণ্ডিকেট চক্ৰ। কোনোধৰণৰ বিভাগীয় কৰ পৰিশোধ নকৰি চক্ৰটোৱে মটেৰঝাৰ বন বিভাগৰ লগত গোপন বুজাবুজি কৰি অবৈধভাৱে মটেৰঝাৰ বন কাৰ্যালয়ৰ সমীপৰ লটকা গাঁৱত ব্যাপক হাৰত কৃষিভূমি খনন অব্যাহত ৰাখিছে। চক্ৰটোৱে গাঁৱৰ কৃষক ৰাইজক ধনৰ লোভ দেখুৱাই কৃষিভূমি খান্দি মাটিসমূহ ইটাভাটাত যোগান ধৰি আহিছে। ফলত কৃষিভূমি দ' খালত পৰিণত হৈছে। ফলত খেতিৰ বাবে অনুপযোগী হৈ পৰে। উৰ্বৰ কৃষিভূমি এনেকৈ ধ্বংস হৈ থাকিলে স্বয়ং ভূমিপুত্ৰই কিছুদিন পিছত ভূমিহীন হৈ পৰাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। লটকা হৰিমন্দিৰ আৰু ৰে'ল ক্ৰছিঙৰ কাষৰ খেতিপথাৰত দুখন জেচিবিৰে অহৰ্নিশে খনন কাৰ্য চলাই আছে যদিও কাষতে থকা বন বিভাগৰ চকু নপৰাটো ৰহস্যজনক। এনে অবৈধ খনন কাৰ্যৰ বাবে কৃষিভূমি নষ্ট হোৱাৰ উপৰি ডাম্পাৰৰ দৌৰাত্ম্যত অঞ্চলটোত দুৰ্ঘটনা বৃদ্ধি পোৱাৰো অভিযোগ উত্থাপিত হৈছে। ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ ৰাইজ পথত চলাচল কৰোতে চৰম সমস্যাৰ সন্মুখীন হৈছে। ঐতিহ্যপূৰ্ণ মটেৰঝাৰ মঠ-মন্দিৰৰ কাষেৰে মাটি কঢ়িওৱা ডাম্পাৰসমূহ দৌৰাদৌৰী কৰাত ধূলিৰ বাবে মঠৰ ক্ষতিসাধন হোৱাৰ আশংকা কৰিছে ৰাইজে। শীঘ্ৰে অবৈধ কৃষিভূমি খনন বন্ধ কৰাৰ লগতে উচ্চপৰ্যায়ৰ তদন্ত কৰি ইয়াৰ লগত জড়িত বন বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে উৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে।




**কৰৈয়নী বাৰগঞা সমাজৰ দ্বাদশ হেজাৰী ভাওনা মহোৎসৱ উপলক্ষে তৎপৰতাৰে চলিছে পুনৰ নিৰ্মাণৰ কাম**

# ছিপাঝাৰত পেটৰ তাড়নাত ইটাভাতাৰ ক'লা ধোঁৱাৰ মাজত আৱদ্ধ শ শ নাৰীৰ জীৱন

**ই-সংবাদ, পশ্চিম দৰং, ৭ মাৰ্চঃ** ৮ মাৰ্চৰ দিনটোত দেশত পালন কৰি অহা হৈছে আন্তৰ্জাতিক নাৰী দিৱস। এই দিনটোত ঠায়ে ঠায়ে নাৰী দিৱস উদযাপন কৰি সভা-সমিতিৰ আয়োজন কৰা হয়। এনে সভা-সমিতিসমূহত বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ কৰি নাৰী দিৱসক উজলাই তোলাৰ প্ৰয়াস কৰা হয়। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট ব্যক্তিসকলে নাৰী দিৱসৰ ওপৰত দুই-চাৰি আষাৰ বক্তৃতা দি গুচি যায়। লগে লগে নাৰী দিৱসো হৈ পৰে শেষ। চৰকাৰে নাৰীক লৈ আজিৰ দিনটোত যিমানখিনি গুৰুত্ব দিছে তাক লৈ সকলোৱে আদৰণি জনাইছে। কিন্তু এতিয়াও সমাজত একাংশ নাৰী আছে যিসকলৰ পঢ়া-শুনা নাই। তেওঁলোকৰ সন্তানসকলৰ শিক্ষাৰ ওপৰত নাই কোনো গুৰুত্ব। মাত্ৰ এটাই চিন্তা কেনেকৈ তেওঁলোকে পেটটো পুহি ৰাখিব পাৰে। আজিৰ এই নাৰী দিৱসৰ দিনটোত যদি আমি চাওঁ তেনেহলে চকুত পৰিব ইটাভাটাত শ্ৰমিক হিচাপে মালিকসকলে কামত লগোৱা নাৰীসকল। ছিপাঝাৰ অঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠা ইটাভাটাসমূহত নিয়োজিত হৈ আছে শ শ নাৰী। যিসকল নাৰীয়ে নিজৰ এমা-ডিমা সন্তানক স্কুলত শিক্ষা দিয়াৰপৰা আঁতৰাই ৰাখি নিজৰ লগতে ৰাখি মূল্যৱান সময় নষ্ট কৰিছে। জীয়াই থকাৰ তাড়নাই যেন এনেকথা চিন্তাৰপৰা আঁতৰত আছে। ইটাভাটাৰ বিষাক্ত ক'লা ধোঁৱাৰ মাজত দিন-ৰাতি কায়িক শ্ৰমৰ মাজত আৱদ্ধ হৈ আছে শ শ নাৰী। এইসকল নাৰীয়ে নাজানে ক-খ, অ-আ মানে কি। আশ্চৰ্যজনক কথা যে ইটাভাটাত শ্ৰমিক হিচাপে কাম কৰা নাৰীসকলে কাম কৰিবলৈ পুৱাতে ওলাই গ'লে তেওঁলোকৰ কণ কণ সন্তানে বিদ্যালয়ত অ-আ শিকাৰ সময়ত ইটাভাটাৰ ধূলিৰ লগত খেলা কৰি থাকে। তদুপৰি ইটাভাটাসমূহত নাৰী শ্ৰমিকসকলক যিমানখিনি সুবিধা দিব লাগে তাক মালিকসকলে নিদিয়াৰ অভিযোগ উঠিছে। দল-সংগঠনসমূহে নাৰী দিৱসৰ দিনটোত ঠাইবিশেষে সভা-সমিতি অনুষ্ঠিত কৰি দিৱসটো জীয়াই ৰাখিব বিচাৰে যদিও এই দিনটো গ'লেই যেন সকলো শেষ। নাৰীসকলক ইটাভাটাৰ মালিকসকলে কৰি অহা শোষণ-অন্যায়ৰ কথা দেখিও যেন নেদেখাৰ ভাও ধৰে নাৰীক লৈ কন্দা সংগঠনসমূহে। নাৰী সংগঠনসমূহে নাৰীৰ উন্নতি, উন্নয়নমূলক চিন্তা কৰাৰ বিপৰীতে নীৰৱতা অৱলম্বন কৰাত সচেতন মহল আশ্চৰ্যান্বিত। নাৰী হৈ নাৰী দিৱসৰ কথা নজনা, নাৰী দিৱসৰ দিনটোত ইটাভাটাৰ ক'লা ধোঁৱাৰ মাজত হাড়ভগা শ্ৰম কৰি থকা এইসকল নাৰীক যদি উলিয়াই আনি উপযুক্ত মৰ্যাদা দিব পৰা নাযায় তেনেহ'লে ৮ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱস মূল্যহীন হিচাপে বিবেচিত হ'ব।

# চামতাৰ ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ সতীশ ঠাকুৰীয়াৰ অকাল বিয়োগত শোকৰ ছাঁ

**ই-সংবাদ, চামতা, ৭ মাৰ্চঃ** পশ্চিম নলবাৰী অঞ্চলৰ পশ্চিম চামতা নিবাসী ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ, প্ৰাক্তন ছাত্ৰ নেতা, সতীশ ঠাকুৰীয়াৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলটোত শোঁকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৫৬ বছৰ। জানিব পৰা মতে, কিছুদিনৰ পৰা তেঁও শাৰীৰিক অসুস্থতাত ভুগি আছিল। অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হোৱাৰ উপৰিও এসময়ত এগৰাকী সুদক্ষ ভলীবল খেলুৱৈ আছিল। অতি ভদ্ৰ, নম্ৰ, দয়ালু, ইংৰাজী ভাষাত দখল থকা সতীশ ঠাকুৰীয়াই অসম স্কুল ভলীবল দলক প্ৰতিনিধিত্ব কৰিছিল। জীৱনৰ গতিশীলতাৰ মাজত ভলীবলক জীৱন বুলি গণ্য কৰা ঠাকুৰীয়াই অসম গ্ৰাম্য ভলীবল দলকো প্ৰতিনিধিত্ব কৰিছিল।

# চামতাৰ সাহপুৰত অত্যাধুনিক বেডমিন্টন একাডেমী মুকলি

**ই-সংবাদ, চামতা, ৭ মাৰ্চঃ** পশ্চিম নলবাৰীৰ চামতা অঞ্চলৰ সাহপুৰ ৰাজঘাটত আজি শুভ উদ্বোধন হয় এখন বেডমিন্টন একাডেমী। চামতা ৰূপীয়াবাথান, বৈশ্য চুবুৰীৰ সুদক্ষ বেডমিন্টন খেলুৱৈ হিমানজ্যোতি ওৰফে মৰম বৈশ্যৰ অধ্যক্ষতাত গঢ় লৈ উঠিছে এই একাডেমী। ষ্টাৰ বেডমিন্টন একাডেমী নামেৰে সাহপুৰ ৰাজঘাটস্থ ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ নিৰ্মিয়মান প্ৰেক্ষাগৃহত নতুনকৈ আৰম্ভ কৰা একাডেমীখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চামতাৰ চিপচ্ গ্ল'ৰেল একাডেমীৰ মুখ্য কাৰ্যবাহী সঞ্চালক স্বপ্না ডেকা আৰু ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সম্পাদক ভগৱান বৰ্মনে। নিৰেন বৈশ্যই আঁতধৰা উদ্বোধনী অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে অৱসৰী প্ৰধান শিক্ষক তথা চামতি চিপচ্ গ্ল'ৰেল একাডেমীৰ অধ্যক্ষ হেমন্ত কুমাৰ শৰ্মা, অৱসৰী শিক্ষক-কবি প্ৰবীন বৰ্মন, শিক্ষক ৰাজেন বৈশ্য, সমাজকৰ্মী মনোৰঞ্জন পাটোৱাৰী, অৰূপ সেন তালুকদাৰ, চিপচ্ গ্ল'ৰেল একাডেমীৰ শিক্ষক মৃন্ময় বৰ্মন, মুকুল দৰ্জী, ৰবীন বৈশ্য, পংকজ বৈশ্য আদি বিশিষ্ট ব্যক্তিসকল। একাডেমীখনত শিশুসকলক আবেলি ৫ বজাৰ পৰা ৭-৩০ বজালৈ আৰু জ্যেষ্ঠ সকলক সন্ধিয়া ৭-৩০ বজাৰ পৰা ১০ বজালৈ অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হ'ব।



লক্ষ্ণৌত অনুষ্ঠিত ডব্লিউপিএলত গুজৰাট জায়েণ্টৰ বিৰুদ্ধে বলিঙৰ মুহূৰ্তত দিল্লী কেপিটেলছৰ দেনড্ৰা ডটিন

**প্ৰাক্তন ক্ৰিকেটাৰৰ মন্তব্যক লৈ ক্ৰীড়া জগতত তীব্ৰ বিতৰ্কৰ জোৱাৰ**

# ধোনীয়ে খেলা পৰ্যন্ত আইপিএল জিকিব নোৱাৰে আৰচিবিয়ে

**নতুন দিল্লী, ৭ মাৰ্চঃ** আইপিএলৰ অন্যতম জনপ্ৰিয় দল হোৱাৰ পিছতো এবাৰো ট্ৰফী লাভ কৰিবলৈ সক্ষম হোৱা নাই ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে। এবাৰ নহয়, দুবাৰকৈ ফাইনেলত প্ৰৱেশ কৰি খালী হাতেৰে উভতি আহিবলগীয়া হৈছে বিৰাটৰ দলে। অৱশ্যে এইবাৰ পাকিস্তানৰ প্ৰাক্তন ক্ৰিকেটাৰ ৰছিদ লতিফে এই তাৰকাৰে ভৰা এই দলটোৰ ভৱিষ্যতক লৈ এক চাঞ্চল্যকৰ মন্তব্য কৰিছে। তেওঁৰ মতে, "যেতিয়ালৈকে মহেন্দ্ৰ সিং ধোনীয়ে খেলিব তেতিয়ালৈকে আৰচিবিয়ে ট্ৰফী লাভ কৰিব নোৱাৰিব।" পাকিস্তানৰ এটা টক শ্ব'ত প্ৰাক্তন ক্ৰিকেটাৰ আহমেদ শ্বেহজাদৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ এই কথা কয়। ইয়াৰ পিছত শ্বেহজাদে কয় যে যদি মহম্মদ আমিৰে আৰচিবিৰ হৈ খেলে, তেন্তে হয়তো তেওঁলোকে আইপিএল জয় কৰিব পাৰিব। ইয়াৰ উত্তৰত লতিফে কয় যে ধোনীয়ে যেতিয়ালৈকে চিএছকেৰ হৈ খেলিব তেতিয়ালৈকে আৰচিবিয়ে ট্ৰফী জয় কৰাৰ কথা কেতিয়াও ভাবিব নোৱাৰে। এই মন্তব্যৰ পিছতে এক উত্তপ্ত বিতৰ্কৰ সৃষ্টি হৈছে। বহুতে এই প্ৰশ্ন উত্থাপন কৰিছে, ধোনীৰ খেল আৰু কোহলীৰ ট্ৰফী জয়ৰ মাজত সঁচাকৈয়ে কোনো সম্পৰ্ক আছে নেকি? আনহাতে, শ্বেহজাদৰ মন্তব্যইও বিতৰ্কৰ সৃষ্টি কৰিছে, কিয়নো পাকিস্তানী ক্ৰিকেটাৰে আইপিএলত খেলিব নোৱাৰে। পাকিস্তানী ক্ৰিকেটাৰসকলে প্ৰথম দুটা ছিজনৰ পিছত আইপিএল খেলাৰ সুযোগ পোৱা নাই, গতিকে আমিৰৰ প্ৰদৰ্শনৰ বিষয়ে আলোচনা কৰাটো একপ্ৰকাৰ অৰ্থহীন। ইফালে, যোৱা ছিজনত কোহলি সৰ্বোত্তম ফৰ্মত আছিল।

# বীৰুপাৰাত ভলীবল প্ৰতিযোগিতাৰ সফল সামৰণি, চেম্পিয়ন মোৱামাৰী ক্লাৱ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৭ মাৰ্চঃ** কাৰ্বি আংলং জিলাৰ লাংহিনৰ বীৰুপাৰাৰ ৰংজালু ক্লাবৰ উদ্যোগত বীৰুপাৰা খেলপথাৰত আজি সফলতাৰে সামৰণি পৰা দ্বিতীয় সংখ্যক ৰত্নেশ্বৰ বসুমতাৰী সোঁৱৰণী ট্ৰফী আৰু প্ৰাইজমানি ভলীবল প্ৰতিযোগিতাত মোৱামাৰীৰ অৰ্গেন ক্লাবে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। সদৌ কাৰ্বি আংলং জিলাভিত্তিত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত অৰ্গেন ক্লাবে জামুগুৰিৰ বুলেট ক্লাবক ৩-১ গেমত পৰাজিত কৰে। যোৱা ৫ মাৰ্চত অৱসৰপ্ৰাপ্ত উপ আৰক্ষী অধীক্ষক প্ৰহ্লাদ খাখলৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই প্ৰতিযোগিতাৰ আজিৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে সমাজ সংগঠক শান্তনু বসুমতাৰী আৰু সন্মানীয় অতিথিৰূপে লাংহিন তিনিআলিৰ পৌৰপতি কমল ব্ৰহ্ম, বিশিষ্ট ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী, ৰূপেন্দ্ৰ নাৰ্জাৰী, টংকেশ্বৰ খাখলাৰী, জীৱন ধ্ৰুৱ বসুমতাৰী, জলেশ্বৰ বসুমতাৰী, ভূপেন বসুমতাৰী আৰু বৃন্দাবন বসুমতাৰী আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ মুঠ-১০ টা দলৰ যোগদানৰে আয়োজিত প্ৰতিযোগিতাখনত অৰ্গেন ক্লাবৰ আয়ুস বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। সহস্ৰাধিক দৰ্শকে এই খেলখখন উপভোগ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৰদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি